# যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাত ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ

আল্‌পনা সৰকাৰ ডেকা
জ্যেষ্ঠ প্ৰবক্তা, অসমীয়া বিভাগ
বিকালী মহাবিদ্যালয়
ধুপধৰা, গোৱালপাৰা

অসমীয়া সাহিত্যত ৰোমাণ্টিক আন্দোলন পয়োভৰৰ কালছোৱাত অসমীয়া কাব্য-সাহিত্যলৈ যমুনেশ্বৰী খাটনিয়াৰৰ আগমণ ঘটে। নাৰীৰ বাবে আনুষ্ঠানিক শিক্ষাৰ পথ সুচল নোহোৱা অৱস্থাতে যি তিনিগৰাকী মহিলা কবিয়ে অসমীয়া কবিতাৰ জগতত প্ৰৱেশ কৰিলে তাৰ ভিতৰত যমুনেশ্বৰী খাটনিয়াৰ অন্যতমা। ৰোমাণ্টিক যুগৰ কবি হিচাপেই খাটনিয়াৰৰ কবিতাত ৰোমাণ্টিক কবিতাৰ ভালেমান লক্ষণ পৰিস্ফুট হৈছে। তাৰ ভিতৰত ভগৱৎ প্ৰীতি অন্যতম প্ৰদান বৈশিষ্ট্য।

১৯১৯ চনত তেওঁৰ একমাত্ৰ কবিতাৰ পুথি 'অৰুণ'ৰ উদয় হয় অসমীয়া কাব্যাকাশত। 'বাঁহী', 'চেতনা', 'আলোচনী' আদি আলোচনীতো তেওঁৰ ভালেসংখ্যক কবিতা প্ৰকাশিত হৈছিল। খাটনিয়াৰৰ কাব্যপুথি 'অৰুণ' প্ৰকাশৰ মাথোঁ কেইবছৰমান আগেয়ে 'গীতাঞ্জলি'ৰ বাবে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে সাহিত্যৰ নোবেল বঁটা লাভ কৰে । বাংলা পুথি, আলোচনী আদি অধ্যয়ন কৰা খাটনিয়াৰ স্বাভাৱিক ভাৱেই ৰবীন্দ্ৰনাথৰ দ্বাৰা প্ৰভাৱান্বিত হ'ল। তদুপৰি 'ৰবি-ৰশ্মি'ৰ উজ্বল আভাই পৰৱৰ্ত্তী বহু কবিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলে। খাটনিয়াৰৰ কবিতাসমূহ আলোচনা কৰিলে তেওঁৰ কবিতাৰ ভাৱ, বিষয়বস্তু আনকি কেতিয়াবা কবিতাত ব্যৱহৃত শব্দচয়নতো ৰবীন্দ্ৰনাথৰ প্ৰভাৱ অনুভৱ হয়। সত্যৰ অপলাপ নকৰিলে ক'ব লাগিব যে তেওঁৰ দুই এটা কবিতা ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাৰ পোনপটীয়া অনুবাদ। ৰবীন্দ্ৰনাথৰ ভাৱাদৰ্শৰ দ্বাৰা গভীৰভাৱে অনুপ্ৰাণিত খাটনিয়াৰৰ কবিতাত মাজে সময়ে সৰল ভগৱৎ প্ৰীতিও লক্ষ্য কৰা যায়।

ৰমন্যাসিক কবিতাৰ বহুকেইটা লক্ষণে তেওঁৰ কবিতাত ভুমুকি মাৰিছে যদিও কম সময়ত, কম পৰিসৰৰ মাজত আলোচনা সীমিত কৰি ৰাখিবলগীয়া হোৱা বাবে তেওঁৰ ভগৱৎ প্ৰেমৰ কবিতাৰাজি আৰু সেই কবিতাসমূহৰ ওপৰত প্ৰতিফলিত 'ৰবীন্দ্ৰ' ভাবধাৰাক হে আমাৰ আলোচনা মাজলৈ আনিবলৈ যত্ন কৰা হৈছে।

খাটনিয়াৰৰ কবিতাৰ মূল সুৰ প্ৰেম। কেতিয়াবা প্ৰকৃতি প্ৰেম, কেতিয়াবা স্বদেশ প্ৰেম, কেতিয়াবা ভগৱৎ প্ৰেম আৰু অতি সঙ্গোপনে প্ৰৱাহিত হৈছে ব্যক্তিপ্ৰেমৰ এটি ক্ষীণ সুঁতি। নাৰীৰ স্বাভাৱিক লজ্জাশীলতা আৰু তেতিয়াৰ ৰক্ষণশীল সমাজ-ব্যৱস্থাৰ বাবে সেই সময়ৰ মহিলা কবিৰ কবিতাত প্ৰেম সণ্চালনি সোঁত প্ৰৱাহিত হোৱা নাছিল। প্ৰেম এক আধ্যাত্মিক চেতনাৰে তেওঁলোকৰ কবিতাত উদ্ভাসিত হৈ উঠিছে।

ব্যক্তিপ্ৰেমৰ উত্তৰণেই ভগৱৎ প্ৰেম। সহজ-সৰল ভাষাৰে কবি খাটনিয়াৰে ভগৱানৰ মহিমা কীৰ্তন কৰিছে। 'অৰুণ'ৰ প্ৰথম কবিতাটিকেই স্তুতি কবিতা বুলিব পৰা যায়.......

'অনাদি অনন্ত প্ৰভু শিৱ সনাতন,
বিপদ কাণ্ডাৰী জ্ঞানী,
অগতিৰ গতি হৰি ব্ৰহ্মাণ্ডৰ পতি
নিত্যানন্দ অন্তৰ্য্যামী'.........'কাকুতি'

'সেৱা', 'তুমি', 'প্ৰাৰ্থনা', 'নিবেদন' আদি কবিতাতো প্ৰকাশিত হৈছে কবি হৃদয়ৰ সুগভীৰ ভগৱৎ

প্ৰেম। পৃথিৱীৰ সৃষ্টি-স্থিতি-প্ৰলয়ৰ কাৰণ ঈশ্বৰ সৰ্বোপৰত। তেওঁৰ অসীম কৰুণা আৰু দানেৰে আমাৰ জীৱন পৰিপূৰ্ণ—এই ভাৱধাৰা কবিতাকেইটিৰ মূল উপজীব্য—

'চেনেহৰ পিতৃ-মাতৃ, জ্ঞাতি-বন্ধু-ভাই,
তোমাৰ কৃপাত প্ৰভু দেখিছোঁ সদায়।
মাটি-পানী-জুই-বায়ু সকলো তোমাৰ,
পখীৰ সুৱদি মাত, সুগন্ধ ফুলৰ।'
..........'সেৱা'

সহজ-সৰল ভাৱেৰে গতি কৰি কবিহৃদয়ৰ প্ৰেম-ভক্তি মিষ্টিক পৰ্য্যায়লৈ উন্নীত হৈছে। এই ভাৱধাৰাৰ বহু কবিতা বিশ্বকবিৰ দৰে আধ্যাত্মিক চেতনাৰে উজ্বল। কবি খাটনিয়াৰৰ বাবে ভগৱান তেওঁৰ হৃদয় ফুলনিত ফুলি থকা এপাহ সুগন্ধি কুসুম..........

"হিয়া ফুলনিত ফুলা তুমি মোৰ ফুল।
নেপাওঁ বিচাৰি তযু সৌন্দৰ্য্যৰ তুল।।"

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰেও কৈছে—

"তুমি কোন কাননেৰ ফুল
তুমি কোন গগনেৰ তাৰা"?

কবিয়ে তেওঁৰ হৃদয় আসনত বহিবলৈ ঈশ্বৰক আহ্বান জনাইছে—

"আহাঁ! আহাঁ! প্ৰিয়তম আকুল পৰাণে তুমি
অসীম প্ৰেমৰ মাজে..........,
..........'আহাঁ'

কবিগুৰুৱেও তেওঁৰ পৰমাকাঙ্খিতজনক আহ্বান জনাইছে এইদৰে—

'দয়া ক'ৰে, ইচ্ছা ক'ৰে, আপনি ছোটো হয়ে
এসো তুমি এ ক্ষুদ্ৰ আলয়ে।'
—১১৫, 'গীতাঞ্জলি'

খাটনিয়াৰৰ এই একেটা কবিতাৰ ভাৱধাৰা আৰু ৰচনাশৈলীত বিশ্বকবি ঠাকুৰৰ 'গীতাঞ্জলি'ৰ অন্তৰ্গত ৭নং কবিতাটোৰ ভাৱধাৰাৰ প্ৰভাৱ পৰিছে—

"আহাঁ! আহাঁ! মনোহৰ প্ৰাণৰ তৃপিতি মোৰ
হিয়াৰ সন্তাপ দহি।
"আহাঁ! আহাঁ! প্ৰিয় তুমি ৰাঙ্গলী ঊষাৰ সতে,
অৰুণ কিৰণে ছাটি

---

"আহাঁ! আহাঁ! প্ৰাণময় সকলোৰে মাজে যেন
সততে সুন্দৰ ৰূপ ধৰি'

ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাত আছে—

'এসো নিৰ্মল উজ্বল কান্ত
এসো সুন্দৰ স্নিগ্ধ প্ৰশান্ত
এসো এসোহে বিচিত্ৰ বিধানে।
এসো দুঃখে সুখে এসো মৰ্মে,
এসো নিত্য নিত্য সব কৰ্মে,
এসো সকল কৰ্ম অবসানে
তুমি নব নব ৰূপে এসো প্ৰাণে।'

কবি খাটনিয়াৰে তেওঁৰ সকলো সু-দুখ ভগৱানতেই অৰ্পণ কৰিছে। মায়া-মোহেৰে পৰিপূৰ্ণ সংসাৰত মায়া-মোহ স্বৰূপ আৱৰণৰ বাবেই মানুহ পৰমানন্দৰ সৈতে মিলিত হ'ব নোৱাৰে। ঈশ্বৰ মানুহৰ বাসনাৰ উৰ্দ্ধত, তথাপি মানৱ প্ৰাণে সেই দুৰ্লভ ধন লাভ কৰাৰ আশা ত্যাগ কৰিব নোৱাৰে। এই ভাৱ কবিৰ 'কোন তুমি' 'অনুমান' আদি কবিতাত প্ৰতিধ্বনিত হৈছে—

"তুমি হায় স্বৰগৰ মহান দেৱতা
মই ক্ষুদ্ৰমতি মৰতৰ,
তোমাৰ সইতে মোৰ মিলন দুৰ্লভ
তথাপিতো আশা জীৱনৰ।"

ৰবীন্দ্ৰনাথ ঠাকুৰেও কৈছে—

"তোমাৰ প্ৰেম যে বইতে পাৰি
এমন সাধ্য নাই।
এ সংসাৰে তোমাৰ আমাৰ
মাঝখানেতে তাই
কৃপাকৰে ৰেখেছ নাথ
অনেক ব্যবধান........"
............'গীতাঞ্জলি', ৬৬

প্ৰতিটো ৰাতিপুৱা কবিপ্ৰাণ নতুন আলোকেৰে আলোকিত হয় । হৃদয়ত আশাৰ কিৰণ পৰি কবিপ্ৰাণ আপ্লুত হৈ পৰে । এই আকুলতা কবিৰ ভাষাত.......

'পুৱা চকুমেলি চাওঁ উষাৰ কিৰণ
ক্ষুদ্ৰ পৰাণত উঠে নতুন স্পন্দন।'

..................'অনুমান'

বিশ্বকবিৰ হৃদয়ো নিত্য নতুন ভাৱে ৰঞ্জিত হৈ প্ৰতিদিনে নতুন আলোকেৰে বিকশিত হৈ উঠে । নতুনৰ পৰশ লাগি কবি হৃদয় স্পন্দিত হয় অনুৰাগেৰে......

"নূতন গানে নূতন ৰাগে
নূতন কৰে হৃদয় জাগে..."

......'গীতাঞ্জলি',১৫৫

কবিৰ সমস্ত জীৱন উল্লাসি পৰমজনাৰ বীণাৰ তান ঝংকৃত হয় । জীৱনত লাভ কৰা দুখ-কষ্টকো কবিয়ে ঈশ্বৰ প্ৰাপ্তিৰ পথৰ পাথেয় বুলিয়েই গ্ৰহণ কৰিছে........

'প্ৰভো কেনে তোমাৰ দান
পুঞ্জ পুঞ্জ কষ্ট আহি
বজায় তোমাৰ গান'

..........'দান'

এনেধৰণৰ দুখেৰে বিশ্ব কবিৰ হৃদয়ো ভাৰাক্ৰান্ত। ঈশ্বৰৰ সৈতে খেলা লু-ভাকুৰ খেলখনত কবিয়ে ঈশ্বৰক লাভ কৰিব নোৱাৰা যন্ত্ৰণাত আতুত হৈছে—

'পৰাণ কৰ' ব্যথায়ভৰা
পলে পলে হে,
গান গাওয়ালে এমনি কৰে
কতই ছলে যে।'

......'গীতাঞ্জলি',১৫৪

সিক্তিক কবিৰ দুৰ্লভ আশা ঈশ্বৰৰ সৈতে মিলন। কবিৰ প্ৰেম শতধাৰা হৈ ঈশ্বৰকেই বিচাৰি ফুৰিছে। মোহ আৰু অহংকাৰে কবিৰ মিলনৰ পথ ৰুদ্ধ কৰি ৰাখিছে, তথাপি মোহান্ধ কবিয়ে দীপ্ত কণ্ঠেৰে ঘোষণা কৰিছে—'জানা তোমাকেহে বিচাৰে মনে'—

'এৰিব নোৱাৰা অহংকাৰ
ঘূৰি মৰো লৈ মই সেই মহাভাৱ,
এৰিব পাৰিলে জীওঁ যে তেনে
জানা! তোমাকেহে বিচাৰে মনে।'

খাটনিয়াৰৰ উক্ত কবিতাটোৰ শিৰোনাম ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতা এটিৰ শিৰোনামাৰে সৈতে একে। মাথোঁ দুয়ো দুটা ভিন্নভাষাৰ হোৱা বাবেই কবিতাটোৰ শিৰোনামাৰ ভাষান্তৰ হৈছে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ উক্ত কবিতাটি হৈছে—

'চাইগো আমি তোমাৰে চাই'
'ৰাত্ৰি যেমন লুকিয়ে ৰাখে
আলোৰ প্ৰাৰ্থনাই,
তেমনি গভীৰ মোহেৰ মাঝে
তোমায় আমি চাই
চাইগো আমি তোমাৰে চাই।'

কবি খাটনিয়াৰে কল্পনা কৰিছে ঈশ্বৰ 'নিশাৰ অতিথি' স্বৰূপে আহি কবিৰ ঘৰৰ দুৱাৰ মুখত উপস্থিত হ'ব। মোহ টোপনিত মগ্ন কবিক তেওঁ নিজে জগাই দিব বুলিও কবিয়ে আশা কৰিছে—

"চৰণ শবদ শুনিও যদিবা
টোপনি নেভাগে মোৰ,

---

জগায় যদিহে নিজহাতে ছুই
দেখি মোক অচেতন......"

কবিৰ এই আশা যেন বিশ্বকবিৰ আশাৰেই অনুৰূপ—

"তব আহ্বানে যদি কভু মোৰ
নাহি ভেঙে যায় সুপ্তিৰ ঘোৰ
বজ্ৰবেদনে জাগায়ো আমায়,
ফিৰিয়া যেয়ো না প্ৰভু"।

সংসাৰ যাত্ৰী মানৱৰ ধ্যান-ধাৰণা, চিন্তা-ভাৱনা সকলো তেওঁতেই নিমজ্জিত। বিশ্বনিয়ন্তা বিৰাট প্ৰেমিক হৈ

সকলো প্ৰাণীৰ প্ৰেম আকৰ্ষণ কৰে। মানৱৰ প্ৰেম তেওঁৰ পিনেই ধাৱমান। কবি খাটনিয়াৰে তেওঁৰ 'অনন্ত প্ৰেম' নামৰ কবিতাত কৈছে—

'বিশ্বজগতৰ দুখ-সুখ স্মৃতি
সকলো প্ৰাণৰ প্ৰীতি।
এক প্ৰেমতেই প্ৰকাশ পাইছে
সকলো কবিৰ গীতি।।'

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ একে নামৰ (অনন্ত প্ৰেম) কবিতাত প্ৰকাশ পাইছে—

'নিখিলেৰ সুখ, নিখিলেৰ দুঃখ, নিখিল প্ৰাণেৰ প্ৰীতি—
একটি প্ৰেমেৰ মাঝাৰে মিশেছে সকল প্ৰেমেৰ স্মৃতি—
সকল কালেৰ সকল কবিৰ গীতি।।'

মানৱ মনৰ সূক্ষ্ম অনুভূতিৰ অপূৰ্ব প্ৰকাশ ঘটিছে কবি খাটনিয়াৰৰ কবিতাত। দিনৰ পোহৰত নিশাৰ তৰা দৃশ্যমান নোহোৱাৰ দৰে মানুহৰ স্নেহ-মমতা, প্ৰেম-প্ৰীতিও হৃদয়ৰ গভীৰত কেতিয়াবা গোপনে ৰৈ যায়। অপ্ৰকাশত অনুভূতি ব্যৰ্থ হৈ নাযায়, এই ভাবধাৰা খাটনিয়াৰে প্ৰকাশ কৰিছে—

"দুপৰৰ পূৰ্বে যেনে উষাৰ আলোকে
ঢাকে তৰা এটি এটি কই,
নুলুকায় বন্ধুগণ নিশা আন্ধাৰত
থাকে গৰাকীৰ আঁৰ লই।"—'বন্ধুত্ব'

বিশ্ব কবিয়েও কৈছে—

"ৰাতেৰ সব তাৰাই আছে
দিনেৰ আলোৰ গভীৰে......."

প্ৰকৃত বন্ধুত্বৰ সংজ্ঞা খাটনিয়াৰে বাংলা কবিতাৰ দৰে একে ধৰণেই দিছে। বিপদৰ বন্ধুহে প্ৰকৃত বন্ধু আৰু সেই বন্ধু ভগৱান—

"ভালৰ দিনত বন্ধু সকলোৱে হয়
দুখৰ পৰিলে কোন কাৰ?
বিপদৰ বন্ধু জানা পৰম ঈশ্বৰ
যিজনে স্ৰজিলে বিশ্বধাম।"

বাংলা কবিতাত আছে—

"সুসময়ে বন্ধু বটে অনেকেই হয়
অসময়ে হাঁয় হাঁয় কেহ কাৰো নয়
কেৱল ঈশ্বৰ এই বিশ্বপতি যিনি
সকল সময়ে বন্ধু সকলেৰ তিনি।"

ঈশ্বৰৰ দান দুখ-বেদনাকো কবিয়ে আত্মশুদ্ধিৰ প্ৰকৃত পথ বুলি অভিহিত কৰিছে। আধ্যাত্মিক দৰ্শনত বিশ্বাসী কবি গৰাকীয়ে বিশ্বাস কৰে যে ভগৱানে দুখাগ্নিৰ মাজেৰে প্ৰকৃত ভক্তৰ চিত্ত শুদ্ধ কৰি লয়—

"প্ৰভো কেনে তোমাৰ দান
অগ্নি মাজে পেলাই তুমি
শুদ্ধ কৰা প্ৰাণ
দহি মোৰ কালিমা প্ৰধান।"
.......'দান'

একে ভাবধাৰা কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাতো পোৱা যায়—

"আগুনেৰ পৰশমণি ছোঁয়াও প্ৰাণে
এ জীৱন পুণ্য ক'ৰ দহন দানে"

দুঃখ বহুল মানৱ জীৱনত সুখ ক্ষন্তেকীয়া পোহৰ এচমকা। দুখহে মানুহৰ চিৰ লগৰী। কবি জীৱনত লাভ কৰা দুখৰাশিক তেওঁ ঈশ্বৰৰ আশিস বুলি গ্ৰহণ কৰি অহংকাৰেৰে ব্যক্ত কৰিছে—

"দুখ যে মোৰ হিয়াৰ ৰতন
লগ সি নেৰে সময় অকণ
তোমাৰ প্ৰসাদেৰে কিনা তাকেই
ই যে মোৰ অহঙ্কাৰ।"

বিশ্বকবিৰ কবিতাতো এই ভাবধাৰা ধ্বনিত হৈছে—

"দুঃখ আমাৰ ঘৰেৰ জিনিস
খাটি ৰতন তুই ত চিনিস
প্ৰেম দিয়ে তুই তাৰে কিনিস
এ মোৰ অহঙ্কাৰ।"

কবিৰ ধাৰণা জগতৰ সকলো মহৎ কাৰ্য্য নীৰৱে সমাধা হয়। সেয়েহে নীৰৱেই কবিয়ে প্ৰিয়জনৰ ওচৰত আত্মসমৰ্পন কৰিব বিচাৰিছে—

"নীৰৱে দিবাহি দেখা
ময়ো মাতি নিম,
তেওঁৰ হাতত প্ৰাণ
নীৰৱেহে দিম।"

—'নীৰৱে'

বিশ্বকবিয়ে কৈছে—

"নীৰৱ যিনি তাহাৰ পায়ে
নীৰৱ বীণা দিব ধৰি।"

—'গীতাঞ্জলি'

কবিয়ে তেওঁৰ জীৱনৰ চিৰলগৰীয়া হিচাপে ভগৱানক চিনি পাইছে। কবিৰ চকুৰ সমুখত থকা মোহ-আৱৰণ আঁতৰি গৈ ঈশ্বৰৰ মোহন মূৰতি দৃষ্টিৰ সমুখত প্ৰতিভাত হ'ল। খাটনিয়াৰৰ এই ভাবধাৰাতো ৰবীন্দ্ৰনাথৰ প্ৰভাৱ বিদ্যমান—

"আতমাই চিনি পালে তোমাৰ মূৰতি যিটি
সেয়ে ৰ'ব যগি যুগান্তৰ।।'

—'চিৰলগৰীয়া'

বিশ্বকবিৰ কবিতাত আছে—

"নীৰৱ আলোকে জাগিল হৃদয় প্ৰান্তে
উদাৰ উষাৰ উদয় অৰুণ কান্তি
অলস আঁখিৰ আবৰণ গেল সৰিয়া।"

—'গীতাঞ্জলি'৬

কবিয়ে ভগৱৎ সত্বা পৰম সত্যক সৰ্ব্বান্তঃকৰণেৰে প্ৰাৰ্থনা জনাইছে সুফল দানৰ কাৰণে—

"জানিম তোমাৰ সত্যত
দিয়া সেই আহ্বান।
এৰিম পুনৰ দাস্য
দিয়া দিয়া কল্যাণ।।"

এই কবিতাতো ৰবীন্দ্ৰ প্ৰভাৱ অনুভূত হয় ঃ

"জাগব তোমাৰ সত্যে
দাও সেই আহ্বান।
ছাড়ব সুখেৰ দাস্য
দাও দাও কল্যাণ।।'

যমুনেশ্বৰী খাটনিয়াৰৰ ওপৰত বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ ইমানেই বেছি যে "দিয়া দিয়া কল্যাণ" নামৰ কবিতাটি ঠাকুৰৰ 'গীতিমাল্য'ৰ ৫০নং কবিতাটিৰ অনুবাদ বুলি ক'ব পৰা যায়—

ৰবীন্দ্ৰনাথ ঃ "গাব তোমাৰ সুৰে
দাও সে বীণা যন্ত্ৰ।
শুনব তোমাৰ বাণী
দাও সে অমৰ মন্ত্ৰ।।"

খাটনিয়াৰ ঃ "গাম তোমাৰ সুৰে
দিয়া সি বীণা যন্ত্ৰ।
শুনিম তোমাৰ বাণী
দিয়া সি অমৰ মন্ত্ৰ।"

কবি খাটনিয়াৰৰ ভগৱৎ প্ৰেম কবিতাবাজিৰ ঠাই বিশেষে নলিনীবালা দেৱীৰ কবিতাৰ লগতো মিল বিচাৰি পোৱা যায়। নলিনী-কাব্যত প্ৰকাশিত হিয়াভেদী বেদনাৰ সুৰ খাটনিয়াৰৰ কবিতাতো ফুটি উঠিছে—

নলিনীবালা ঃ "সকলো পাইছো যেন নাই পোৱা তেও
কিবা এটি নাই নাই"

—'পৰমতৃষ্ণা'

খাটনিয়াৰ ঃ "তেও কিয় মোৰ অথিৰ সদায়
দিনে ৰাতি ভাবে যেন কিবা নাই নাই"

—'কিবা যেন নাই নাই'

যমুনেশ্বৰীৰ 'তুমি' কবিতাটিৰ ৰচনা কৌশলত অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'তুমি' কাব্যৰ আৰ্হি লক্ষ্য কৰা যায়—

"তুমি লাজৰ ৰাঙলী আভা
গাভৰুৰ গোলাপী গালত"

—'ৰায়চৌধুৰী'

"তুমি মুক্তিৰ কল্পনা ভাবুক প্ৰাণৰ
মাতৃৰ হিয়াৰ স্নেহ,
"তুমি প্ৰণয় প্ৰতিমা প্ৰেমিক জনৰ
চিকুণ কোমল দেহ।"

—'খাটনিয়াৰ'

খাটনিয়াৰৰ কেইবাটাও কবিতাৰ বাক্যৰ গাঁথনি, শব্দচয়ন আদি ৰবীন্দ্ৰনাথ ঠাকুৰ কবিতাৰ সৈতে মিলি যায়। প্ৰকৃততে বিশ্বকবি গৰাকীৰ বিশাল প্ৰতিভাৰ দ্বাৰা কবি খাটনিয়াৰ বিপুলভাৱে প্ৰভাৱান্বিত হৈছিল। বিশ্বকবিৰ দ্বাৰা প্ৰভাৱিত হ'লেও খাটনিয়াৰৰ কবিতা আকুল প্ৰাণৰ ব্যাকুল প্ৰকাশ। আপাতদৃষ্টিত চাবলৈ হ'লে নলিনীবালা দেৱী আৰু ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ দৰে খাটনিয়াৰৰ জীৱনত কাৰুণ্য নাছিল। তথাপি তেওঁৰ কবিতাত এটি কৰুণ-বিষাদ সুৰ ধ্বনিত হোৱা দেখা যায়। এই বিষাদ ৰোমাণ্টিক বিষাদ। পূৰ্ণতাৰ অন্তৰালত থকা অতৃপ্তিৰ আকাঙ্খা মিষ্টিক কবিৰ অতুলনীয় অনুভৱ। তেওঁৰ জীৱনৰ কাৰুণ্য নান্দনিক শোকৰ পৰা সৃষ্ট। যাক ৰবীন্দ্ৰনাথৰ ভাষাৰে ক'ব পৰা যায়—

"অলৌকিক আনন্দেৰ ভাৰ
বিধাতা যাহাৰে দেন, তাৰ বক্ষে বেদনা অপাৰ।"

অব্যক্ত বেদনাৰ ভাৰ বহন কৰি ৰহস্যবাদী কবিতাৰ সুন্দৰ প্ৰকাশ ঘটোৱা তেওঁৰ কবিতাৰ পংক্তি—

"তোমাৰ সঞ্চিত প্ৰীতি আঁজলি ভৰাই
নল'ম হিয়াৰ আবেগত,
অন্তৰৰ ভক্তিফুল নিদিম নিশ্চয়
অৰ্ঘ্যৰূপে তযু চৰণত।"
—'অভিমান'

ৰহস্যময় মানৱ প্ৰকৃতিৰ বাবেই তেওঁ পুনৰ্ববাৰ কৈছে—

"সকলো দুখকে আহুতি সজাই
তুমি হোমাগ্নিত দিম,
প্ৰসাদ স্বৰূপে প্ৰেম সুধা দিবা
হেপাহ পলাই পিম"
—'নেজানো'

পাপ তাপেৰে পবিপূৰ্ণ এই জগতত ঈশ্বৰ নিৰ্মল, আনন্দময়। পাপীৰ পাপ নাশৰ বাবে ভগৱানেই পৰম আশ্ৰয়, সেয়ে তেওঁ পতিত-পাৱন। মিষ্টিক কবিৰ সমস্ত চেতনাৰে কবিয়ে বিশ্বাস কৰিছে মৃত্যু পিছত তেওঁৰ তাপিত জীৱন ঈশ্বৰতেই বিলীন হ'ব—

"তোমাতে বিলীন হ'ব তাপিত জীৱন
ত্যাজি এই নশ্বৰ সংসাৰ"
—'নিবেদন'

এনেকৈয়ে কবিৰ ঈশ্বৰ বিশ্বাস বিভিন্ন ভাবধাৰাৰ মাজেৰে গতি কৰিছে। জাগতিক সৌন্দৰ্য্যৰ মুগ্ধতাৰ মাজতো এক অজ্ঞেয় ৰহস্যময় অনুভূতিয়ে কবি গৰাকীৰ মনত অতৃপ্তিৰ, অসন্তুষ্টিৰ ভাৱৰ সৃষ্টি কৰি ৰাখিছে। এয়ে তেওঁৰ মিষ্টিক চেতনা।

বিশ্বকবিৰ পৰৱৰ্ত্তী বহু কবিৰ কবিতাতে বিশ্বকবিৰ প্ৰভাৱ স্পষ্টভাৱে অনুভূত হয়। অসমীয়া সাহিত্যও ইয়াৰ ব্যতিক্ৰম নহয়। ভগৱৎ প্ৰেমত আপ্লুত কবি খাটনিয়াৰৰ কবিতাত ৰবীন্দ্ৰনাথৰ ভাৱধাৰা স্পষ্টভাৱে প্ৰতিফলিত হোৱা দেখা যায়। কিন্তু অতি কম বয়সত মৃত্যু মুখত পৰা বাবেই হয়তো তেওঁৰ ভাৱ, ভাষা আৰু বিষয়বস্তুত ৰবীন্দ্ৰনাথ ঠাকুৰৰ পূৰ্ণতা প্ৰতিফলিত নহ'ল। পূৰ্ণ বয়সলৈকে জীয়াই থকাহ'লে তেওঁৰ কবিতাই পৰিপক্কতা লাভ কৰাৰ থল আছিল।

**প্ৰসংগ পুথি ঃ**

খাটনিয়াৰ, ডাঃ শোভন চন্দ্ৰ (সম্পা.)-যমুনেশ্বৰী খাটনিয়াৰৰ ৰচনাৱলী প্ৰথম প্ৰকাশ, এপ্ৰিল ঃ ১৯৯৮
ঠাকুৰ, ৰবীন্দ্ৰনাথ —ৰবীন্দ্ৰ ৰচনাৱলী (সম্পূৰ্ণ) প্ৰকাশ, ১৩৪৯ আষাঢ় বিশ্বভাৰতী।
বৰুৱা, নৱকান্ত —পাতনি, যমুনেশ্বৰী খাটনিয়াৰৰ ৰচনাৱলী প্ৰথম প্ৰকাশ, এপ্ৰিল ঃ ১৯৯৮

# সাম্প্ৰতিক সময়ৰ প্ৰাসংগিকতাৰে গান্ধীজীৰ স্বাৱলম্বন শিক্ষাৰ গুৰুত্ব

শ্ৰীভূপতি দাস
জ্যেষ্ঠ প্ৰবক্তা, শিক্ষা বিভাগ

জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীয়ে নিজৰ জীৱনৰ সমস্ত ত্যাগ কৰিও ভাৰতবৰ্ষক বিশ্বৰ এক মহান আৰু শক্তিশালী জাতি হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ অহৰ্নিশে এটি আশা পুহি ৰাখিছিল। জাতীয় জীৱনৰ সৰ্বদিশকে ন-ৰূপত সজাই পৰাই এক মহান ভাৰতবৰ্ষ গঢ়াৰ সপোন দেখিছিল— তেখেতৰ সৰ্বোদয় সমাজৰ জৰিয়তে। গান্ধীজীৰ সপোনৰ ভাৰতবৰ্ষত ধনী-দুখীয়া, জাত-পাত আৰু উচ্চ-নীচৰ প্ৰভেদ নাই।

বৰ্ণাঢ্য ভাৰতীয় ঐতিহ্য, সংস্কৃতি,পৰম্পৰা আৰু আধ্যাত্মবাদৰ দ্বাৰা পৰিবেষ্টিত হৈ গান্ধীজীৰ শিক্ষাত প্ৰতিফলিত হৈছিল এক বাস্তৱ শিক্ষা দৰ্শনৰ। তেখেতে তথাকথিত শিক্ষা ব্যৱস্থাক কঠোৰ ভাষাৰে সমালোচনা কৰি বাস্তৱভিত্তিক শিক্ষা ব্যৱস্থাৰ পোষকতা কৰিছিল। তেখেতে বিশ্বাস কৰিছিল আমাক এনে শিক্ষাৰ প্ৰয়োজন যি শিক্ষাই প্ৰতিজন ভাৰতীয়কে সুচৰিত্ৰবান, সুসংস্কৃতিবান আৰু সুনাগৰিক কৰি গঢ়ি তুলিব।

বৃটিছ অধিকৃত ভাৰতৰ জাতীয় জীৱন সৰ্বদিশৰ পৰাই পঙ্গু হৈ পৰাৰ করুণ ঘটনাই গান্ধীজীৰ অন্তৰত বৰ দুখ দিছিল। পৰাধীনতাৰ অবাঞ্চিত তিক্ততাই গান্ধীজীৰ অন্তৰ কঁপাই তুলিছিল। বিদেশী শাসক পৰিচালিত ভাৰতৰ শিক্ষা ব্যৱস্থাত তেখেতে শোষণ, নিষ্পেষণ, ভেদাভেদ আৰু স্বাৰ্থপৰতাৰ গোন্ধ পাইছিল। গান্ধীজীৰ দৃষ্টিত এক মহান জাতি হিচাপে ভাৰতবৰ্ষ শিক্ষাৰ ক্ষেত্ৰত সকলোফালৰ পৰাই পিছপৰি আছে। জাতিৰ প্ৰতি থকা মহান দায়িত্ব আৰু সেৱাৰ মনোভাৱৰ বিকাশ সাধনৰ বাবে প্ৰয়োজন এক উৎপাদনমুখী শিক্ষা বিকাশ সাধন কৰাটো। তেখেতে ভাবিছিল শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰিবলৈ প্ৰয়োজনীয় ধন চৰকাৰে পূৰণ কৰিব নোৱাৰে। এই কথাৰ প্ৰতি লক্ষ্য ৰাখি গান্ধীজীয়ে উৎপাদনমুখী ক্ৰিয়া কৌশল আয়ত্বকৰণৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল। গান্ধীজীয়ে আশা কৰিছিল দেশৰ বিদ্যালয় সমূহে উৎপাদনমুখী শিক্ষা বিস্তাৰৰ কবে আগভাগ লোৱা উচিত।

গান্ধীজীয়ে অনুভৱ কৰিছিল যে এটি কৰ্মঠ আৰু শ্ৰমিক জাতিয়েহে দেশৰ সৰ্বাঙ্গীন উন্নতি কৰি তুলিব পাৰে। সেই বাবে শ্ৰমৰ মৰ্যাদা তেখেতে আন্তৰিকতাৰে উপলব্ধি কৰিব পাৰিছিল। শিশুৱে শ্ৰমৰ মৰ্যাদা লাভ কৰাৰ পিছত প্ৰকৃত উৎপাদনমুখী কলা কৌশল আয়ত্বকৰণত অগ্ৰসৰ হ'ব। গান্ধীজী আছিল এক বাস্তৱ দৃষ্টি সম্পন্ন লোক। উৎপাদনমুখী কলা কৌশল আয়ত্বকৰণত অগ্ৰসৰ হ'ব। গান্ধীজী আছিল এক দৃষ্টি সম্পন্ন লোক। উৎপাদনমুখী শিক্ষা লাভৰ জৰিয়তে শিশুক স্ব-নিৰ্ভৰশীল কৰি গঢ়ি তোলাটো দৰাচলতে তেখেতৰ বাবে আছিল এক অগ্নি পৰীক্ষা স্বৰূপ।

স্বাৱলম্বিতাৰ ধাৰণা ব্যাখ্যা কৰি গান্দীজীয়ে কৈছিল যে শিক্ষাৰ ক্ষেত্ৰত আমি ইমানেই পিছপৰা যে আমি দেশৰ হকে একো কৰিবলৈ সক্ষম নহয়। সেইবাবে এই অৱস্থাৰ অৱসান ঘটাই ভাৰতীয় মাটি, পানী আৰু বায়ুৰ সংমিশ্ৰণত গঢ়ি উঠা শিক্ষা ব্যৱস্থা প্ৰচলন হোৱাটো গান্ধীজীয়ে মনে প্ৰাণে কামনা কৰিছিল।

প্ৰচলিত শিক্ষা ব্যৱস্থাক কঠোৰ ভাৱে সমালোচনা কৰি গান্ধীজীয়ে 'হৰিজন' নামৰ পত্ৰিকাখনিত এলানি প্ৰবন্ধ প্ৰকাশ কৰিছিল। 'হৰিজন' পত্ৰিকাখনে গান্ধীজীৰ সপোনৰ শিক্ষা ব্যৱস্থাৰ পথ প্ৰদৰ্শক হিচাপে কাম কৰিছিল। গান্ধীজীৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলতেই ১৯৩৭ চনত বুনিয়াদী শিক্ষা আঁচনি গঢ়ি উঠিছিল। বিহংগম দৃষ্টিত বুনিয়াদী শিক্ষা ব্যৱস্থাত

ভাৰতীয়সকলে বিশেষ সফলতাৰ মুখ দেখা নাপাইছিল যদিও ইয়াৰ গূঢ়াৰ্থ উপলব্ধি কৰাটো নিতান্ত প্ৰয়োজন। দৰাচলতে গান্ধীজীয়ে এই শিক্ষা আঁচনিৰ যোগেদি দেশৰ সৰ্বদিশৰ বুনিয়াদ এটি গঢ়িবলৈ চেষ্টা কৰিছিল। পৰাধীনতাৰ গ্লানিয়ে দেশবাসীৰ দেহ-মন আৰু আত্মা পংকিলময় কৰি তুলিছিল। সেইবাবে দেশবাসীৰ জাতীয় চৰিত্ৰৰ যথাযথ উত্তোৰণ ঘটোৱাৰ বাবে বুনিয়াদী শিক্ষা আঁচনিত জোৰ দিয়া হৈছিল। বুনিয়াদী শিক্ষা আঁচনিখনত আত্মনিৰ্ভৰশীল শিক্ষাৰ সম্ভাৱনীয়তা দ্ব্যৰ্থহীনভাৱে ব্যক্ত কৰিছিল। এই নিবন্ধটিত সাম্প্ৰতিক প্ৰেক্ষাপটত গান্ধীজীৰ স্ব-নিৰ্ভৰশীল শিক্ষাৰ এটি চমু আলোকপাত কৰিবলৈ বিচৰা হৈছে। দেশৰ চৰকাৰে কোটি কোটি টকা খৰচ কৰি গঢ়ি তোলা শিক্ষা আঁচনি কেতিয়াও দেশৰবাবে মঙ্গলজনক হ'ব নোৱাৰে। সেইবাবে শিশুক স্ব-নিৰ্ভৰশীল কৰি তুলিবলৈ তেখেতে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছিল। স্বাৱলম্বিতা শব্দটোৱে দুটা অৰ্থ প্ৰকাশ কৰিছে। প্ৰথমতে, এই শিক্ষাই শিশুক উৎপাদনমুখী কৌশল আয়ত্বকৰণৰ বাবে অনুপ্ৰাণিত কৰিব। দ্বিতীয়তে, এই শিক্ষা লাভৰ জৰিয়তে শিশুৰ এনে মনোভাৱৰ জন্ম হ'ব যাতে সি কেতিয়াও নাভাৱে যে তাক জীৱনৰ বাবে অযোগ্য কৰি তোলা হৈছে। ইয়াৰোপৰি নিজে হাতে তৈয়াৰী বস্তুৱে শিশুক সৃষ্টিৰ প্ৰেৰণা দিব, উৎপাদিত সামগ্ৰী বিক্ৰী কৰি নিজৰ প্ৰয়োজনীয় খৰচ মোকলাব।

সমালোচকসকলে গান্ধীজীৰ স্বাৱলম্বিতাৰ শিক্ষাক কঠোৰভাৱে সমালোচনা কৰি বৰ্তমান সময়ত ইয়াক অনুপযুক্ত বুলি ক'ব বিচাৰে। কিন্তু গান্ধীজীৰ বুনিয়াদী শিক্ষাৰ বাস্তৱ দৰ্শন সুক্ষ্মভাৱে বিশ্লেষণ কৰিলে এনে সমালোচনাৰ কোনো থল বিচাৰি পোৱা নাযায়। গান্ধীজীৰ মতে এই শিক্ষা কঠোৰ নীতি-নিয়মৰ দ্বাৰা পৰিচালিত নহয়, ই সময় সাপেক্ষ আৰু পৰিৱৰ্তনীয়। গান্ধীজীয়ে এই কথা উপলব্ধি কৰিছিল যে চৰকাৰে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা আঁচনি সফল কৰি তোলা সম্ভৱ নহয়। দেশৰ বুজন সংখ্যক শিশুৰ বাবে বাধ্যতামূলক শিক্ষা এক অবাঞ্চিত সপোনত বাহিৰে আন একো নাছিল। এই বাবে সময় থাকোতে স্বাৱলম্বন শিক্ষাৰ ব্যাপক বন্দবস্ত কৰিবলৈ গান্ধীজীয়ে দেশৰ চৰকাৰক আহ্বান জনাইছে।

সাম্প্ৰতিক সময়ত গান্ধীজীৰ স্বাৱলম্বন শিক্ষাৰ প্ৰাসঙ্গিকতা আওকাণ কৰিব নোৱাৰি। প্ৰণিধানযোগ্য যে যি সময়ত বুনিয়াদী শিক্ষা অৱহেলিত আৰু অনাদৃত হৈছিল সেই বুনিয়াদী শিক্ষা আজি এক প্ৰকাৰ প্ৰাণ পাই উঠিছে। আমাৰ দেশৰ চৰকাৰে বৰ্তমানে উদগণি যোগোৱা আত্মসহায়ক গোটসমূহৰ সংগঠিত ৰূপটো বুনিয়াদী শিক্ষাৰে প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ নহয় নে? আত্মসহায় গোটৰ ধাৰণাই ব্যক্তিক উৎপাদনমুখী, কৰ্মমুখী আৰু একতাৰে কাম কৰিবলৈ প্ৰেৰণা যোগায়— যি গান্ধীজীৰ বুনিয়াদী শিক্ষা দৰ্শনে বিশ্বাস কৰে। যি সময়ত দেশত নিবনুৱা সমস্যাই সৰ্বগ্ৰাসী ৰূপ ধাৰণ কৰিছে সেই সময়ত এচাম শিক্ষিত তথা কৰ্মঠ যুৱক-যুৱতীয়ে শ্ৰমৰ মৰ্যাদা উপলব্ধি কৰি নিজেই স্বাৱলম্বনৰ পথ বাছি উলিওৱাটো সুখৰ কথা। ই দেশৰ তথাকথিত অৰ্থনৈতিক ধ্যান-ধাৰণাৰো সলনি কৰিছে। বৰ্তমান দেশৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত গান্ধীজীৰ স্বাৱলম্বনৰ শিক্ষাৰ গুৰুত্ব বৃদ্ধি পাইছে। সেইবাবে বুনিয়াদী শিক্ষাৰ আদৰ্শেৰে স্বাৱলম্বনৰ শিক্ষাক উপযুক্তভাৱে গঢ়ি তুলি দেশৰ যুৱকযযুৱতীসকলক অনুপ্ৰাণিত কৰিব লাগে। উল্লেখযোগ্য যে স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ শিক্ষা আয়োগসমূহেও গান্ধীজীৰ শিক্ষা দৰ্শনৰ মৌলিকতাক অস্বীকাৰ কৰা নাই। ১৯৭৭ চনৰ ঈশ্বৰ ভাই পেটেল কমিটিয়ে গান্ধীজীৰ শিক্ষাৰ নতুন সংস্কৰণ ঘটাই এক নতুন নামাকৰণ কৰে। ইয়াক সামাজিকভাৱে উপযোগী উৎপাদনমূলক ক্ৰিয়া বুলি জনা যায়। বৰ্তমানে এনে ক্ৰিয়া কৌশল আয়ত্বকৰণৰ এটি প্ৰৱণতা গঢ়ি উঠি দেশৰ জাতীয় জীৱনলৈ পৰিৱৰ্তনৰ সোঁত প্ৰৱাহিত কৰিছে।

□□

# DISASTER VULNERABILITY AND MANAGEMENT: A CASE STUDY OF MANKACHAR CYCLONE

Dr. M. Gopal Signha
Senior Lecturer & Head,
Deptt. of Geography

**Introduction :-** The term ' disaster' is derived from the negative prefix'dis'and Latin roo 'astrum' (meaning 'star') which connotes the unfavourable aspects of one's star. Gone are the days when people used to think of all such sorts of happening as the result of functional correlation of evil stars or celestial bodies. Of late, the perception has changed rather to the universal recognition of disasters as natural or man-made ones.

Natural Disasters of vary many geophysical, climatic and geo-thermal origins have varied and far-reaching damaging implications on human, plant and animal life. In the wake of 21st century, rapid population growth coupled with rapid industrialization and urbanization, ecological change, socio-economic imbalances make the risk of natural hazards which often lead to disasters.

A vast country like India having 329 million hectres of geographical area, being situated in tropical and sub-tropical region of south Asia with regional agro-climatic variation supseptible to wind-based calamities especially those that occur in local or periodical nature. The state of Assam with regional agro-climatic variation and also under direct influence of Monsoon is also very much vulnerable to cyclonic storm.

The vulnerability which exists in an abstract form is a concept of physical factors as well as the social factors responsible for disaster to occur in a particular area or a region. It is the characteristics of the group of people in terms of their capacity to anticipate, withstand and retrieve from a natural hazard.

In the present study an attempt has been made to decipher a highly potential area of disaster both in terms of physical and human societal factors are concerned. The paper attempts to highlight the magnitude of the rare phenomenon and also the management strategies undertaken for the disaster.

**Study Area:** Mankachar, a land and water-logged part of Dhubri district in the Southern most part of Assam in the immediate neighbouring of West Garo Hills and Bangladesh experienced a bizarre tornado like cyclone or whirlwind with a speed more than 200 km per hour caused havoc within ten minutes duration in the remote villages of Hastingimari sub-Divisional Head Quarter on April 22, 2003. The villages namely Burakata, Binasata, Patangitola, Kazipur, Toppura, Baliabeel and Dhanuwa are located in small patches of built-up which are mostly included

under Burakata G.P. and Dhanuwa G.P.

**Objective and Significance of the study:**

i) To study the locational aspects of vulnerability of the study area with changing ecological condition.

ii)To examine the socio-economic parameters of the inhabitants of the area and

iii) to examine the perception of the people towards disaster and its management.

The problem under study is significant from the following facts that the cyclone-hit area of Mankachar is very close to cyclone prone areas of Bangladesh which is under direct influence of Bay of Bengal. The study is found to be relevant to the area as the people occupy a low-lying area with constraints in human habitation.

**Data base and Methodology :** The Primary data relating to assessment of the cyclone hit area have been collected immediately after the occurence of disaster. Altogether 16 respondents were interviewed to gather information on their habitational background, housing pattern, occupational structure and their perception on disaster.

**Damage assessment:**

The damaged caused by the cyclone included the following:

| | Persons in number |
|---|---|
| i) Person injured | 1500 |
| ii) Severely injured | 150 |
| iii) Minor injury sustained | 1350 |
| iv) Instantaneously occured death | 33 |
| v) Total death toll | 39 |
| vi) Cropped area affected | 470 hectres |
| vii) Horticultural Cropped area affected | 30 hectres |
| viii) Poultry affected | 1441 Nos. |
| ix) Cattle head lost | 13250Nos |
| x) House fully damaged | 650 Nos |

Total area affected14 sq.km.

**Findings and Analysis :**

**Physical factors of disaster vulnerability:** The area under study is situated in the eastern part of Hatsingimari sub-Divisional Head Quarter and in northern part of Mankachar township. It is an extensive low-lying area dotted with a number of settlements. The South western part of this low-lying area ia an extensive plain area bordering Indo-Bangladesh Border while the north eastern part is completely bounded by west Garo Hills, Since the last two hundred years the low-lying area is extensively transformed into habitational lands. The area is under constant expansion for wetland cultivtion such as 'Boro' and early Ahu. A number of large and potential 'beels or wetland like Gashuwa beel, Kabutarmari, Bamunibeel are a few which have been encompassed by the settlers. A couple of streams, 'Suti' andriver like 'Kalo' interspersed the eastern part of the area where cyclone ravaged Burakata, Binasata, Patangitola, Kazipur and Toppura village are located with immense problem of communication. The villages such as Patangitola and Toppura have no easy accessibility due to lack of bridge and road links.

Source : * S.D.O. Hatsingimari, *Author's Field survey

**Vulnerable Society:** The pressure of ever increasing population has tremendous impact of land, water, bio-sphere and economy of the low-lying areas. The expansion of settlement in the newer and fragile physical environment by immigrant people has led to the risk of natural disaster like cyclonic strom. It is observed from the storm-hit villages that most of the foundation of the houses are constructed by filling up the earth from the nearby lands which are usually transformed into ponds for fishing purposes. The built up area are formed by loose soil and are not conductive for housing.

**Low income level :** By and large, the society of the community inhabitating the areas are in low income level. As the area is low-lying and flood prone people mostly depend on wetland cultivation and pisciculture as their main livelihood.

**Unprotected houses:** So far the housing pattern of the villagers are concerned people have thatched huts, wooden and bamboo pillar houses with C.I. sheet roofs. Except institutional bulding no concrete houses are available. Most of the villagers inhabited in colony like small built-up plateforms and along the edge of embankments and roads where houses are constructed with homestead orchards.

**Lack of awareness in housing and settlement:** Among other important factors which have attributed to vulnerability are-

i) construction of houses close to each other due to lack of spacious built-up areas;

ii) plantation of lofy trees and orchards without maintaining distance from huts and houses.

It is evident from the disaster that most of the death occurred due to house collapse and failling of trees. As a result of which a high proportion of instantaneous death toll (84 percent) was recorded in a short span of hardly ten minutes.

**Perception towards disaster:** The respondents' view reveals that the people of the area have no awareness on such natural disaster. People have experiences and awareness on fury of recurring floods more or less every year. As regards the rare natural phenomenon villegers consider it as unprecedented ones. Majority of the respondents have superstitious belief of the disaster as wrath of God.

**Lack of management and disaster preparedness:** The social group of the area has no proper perception on any impending danger and the people lack in disaster preparedness and management. The government had not taken earlier ameliorative measures. No early warning system was provided to the area.

**Conclusion:** The villagers under study are model ones far examinig the disaster vulnerability depending on physio-social structure, their adaptibility to a fragile evironment for earning a living without much awareness on any implemending hazard.

Dissemination of awareness knowledge on disaster among the rural masses can be suggested for protective measures in the days to come.❑❑

**Reference:**

1. Chaudhuri, A.K.,1992 : Preparing Disaster relief & management plans in Kurukshetra, Vol.XI.IEd, B.K.Dusia pp.8-10

2. Central Health Education Bureau,1988 Ministry of Health and Family Welfare, New Delhi 'Keeping Natural Disaster at Bay in Swasth Hind, P.71

3. Singha, M.G. 'Managing Natural Disasters' The North East Times, Aug 30, 2002 Guwahati

4. Informent : Aminur Islam Ex-MLA and Minister, Mankachar L.A.C.

# Panchayati Raj : Instrumentof Democratic Decentralisation

Dr. Prasanta Chakravorty,
Deptt of Political Science

Democracy is the form of Government in which the citizens directly or indirectly participate in ruling the State. It is thus distinct from dictatorship in which the citizens have no chance to take part in administration of the state. It is the democratic government which provide maximum rights and freedom to the people for the development of their personalities. That is why democracy is regarded as an ideal form of government.So, for the success of the democracy there must be decentralisation of power at the grassroot level in order to faciliate substantial proportion of people to participate in the administration and manage their on affairs by themselves. In other words there must be extension of democracy. This objective can be achieved through the establishment of Panchayati Raj institution. Panchayati Raj institution ensure direct participation of people of grass roots in the administration. Panchayati Raj has become an indispensable part of Indian political system. The origin of Pajchayati Raj in India dates back to ancient time which subsequently suffered a lot during the British rule. After the independence the framers of the constitution gave importance in the Directive principles of state policy (part-IV). The provision of Panchayats contained in article No. 40 .It is mentioned in this article that the state shall take steps to organise village panchayats and endow them with such powers and authority as may be necessary to enable them to function as units of self government. The government of states took necessary steps to execute this Directive. But the Panchayati Raj institutions got a new dimension after the submission of the recommendations of B.G. Mehta committee. This committee was formed under the chairmanship of B.G. Mehta in 1956 by the national development council to suggest measures for the better working of community for developmental programme and the national extension service. The commitee submitted its report in 1957 which recommended democratic decentralisation with a three tier panchayati Raj institutions in rural areas with real devotion of power and resources. The three tier includes village panchayat at the village level, panchayat samiti in each developmental block and zila parishad at the district level. The recommendations of the Mehta committee was approved by the National Development Council in 1958. The government of India asked the various state Government to implement the recommendation of Mehta committee. Rajasthan is the first state to implement the recommendation. It was followed by Andhra Pradesh, Bihar, Gujrat, Himachal Pradesh, Maharastra, Punjub, Tamilnadu,

Uttar Pradesh and West Bengal. Finally the panchayati Raj system was adopted by most states.

But Mehta committe recommendation failed to produce good results for obvious reasons. Hence Rajiv Gandhi government introduced two Bills in the Lok Sobha in 1989 (64th and 65th constitutional ammendment Bills) in order to constitutional status to the local self government institution. Unfortunately the bills were passed by the Lok Sabha but could not be adopted in the Rajya Sabha. Subsequently the government P.V. Narasinha Rao took initiative in this matter and as result of 73rd constitutional ammendment the Bill was adopted and passed by the Parliament. The provision of the act have been included in the part-IX of the constitution.

Thus the 73rd constitutional Ammendment act gave constitutional status to the panchayati Raj institutions in rural areas. It recognised the panchayati Raj institutions for two purposes viz, institutions of self government and institution of rural development.

The acts provides for a three tier Panchayat system viz, Gaon Panchayat at the village level, Panchayat Samiti at the Block level and Zila Parishad at the district level.

The act established a uniform panchayati Raj institution in India and made it mendatory for the states to make laws in conformity with the provision of the 73rd constitutional ammendment act. In the meanwhile the states have make their respective panchayat Acts which incorporated the provisions of the 73rd Ammendment Act. If the provision of the new Act are sincerely implemented the panchayati Raj institutions will definitely make the democratic decentralisation a reality.

**References:**

1. Rao V. Venkata, Niru Hazarika, " Local self government in India" S.Chand & Company, New Delhi, 1983

2. Maheswari Sri Ram, " Local Self Government in India, Lakshi Narayan Agarwal, Agra, 1984.

3. Johori, J.C. , " Indian Political System", Anmol Publication, New Delhi, Second revised edition, 1997.

4. Rama Chandran, Padma, " Public administration in India", Nationa Book Trust, India, 1st Edition, 1996.

5. Grolier Encyclopadia and knowledge, Vol-VI.
grolier Incorporated , Dambwry connnectient 1993 Printing.

6. Reddy P.S. (Editor) Savants Mission ( V. Venkata Rao commemoration, Volume, Gauhati University, 1995.)

# ENVIRONMENTAL GEOGRAPHY AND RELATED SCIENCES

Miss Geetamoni Kalita
T.D.C. 3rd Year

Environmental Geography may be defined as that branch of geography which studies the characteristics, compositions and functions of different components of the natural environmental system.

Environmental geography is basically the study of spatial attributes of interrelationship between biotic and abiatic (physical),components and between technologically advanced man and components of the natural environmental system. The abiotic components (land, air, water, energy) are closely related to geography, particularly physical geography, geo-physics and atmospheric sciences (Metrology),all of which belong to the major field of earth sciences. Physics and Chemistry are also related to the abiotic physical components through Geology and Geophysics. These subfields of earth sciences are related to each other and provide vital information about the composition and characteristics of various aspects of physical or abiotic components of the biospheric geoecosystem. Since physical geography studies all of the elements of abiotic component based on its clean resources and on the information derived from geology, geophysics and atmospheric science. It is more closely related to environmental studies and therefore to environmental geography.

The biotic component is related to human geography, chemistry and biological and life sciences (Botany and zoology). The interactions and interdependence of abiotic and biotic components of biospheric system result in two types of ecosystem:

(1) Biosystem.

(2) Eco biosystem or Geobiosystem.

The study of biosystem becomes the subject of biology while the study of geobiosystem becomes the subject matter of environmental geography within the major field of geography.

The interaction of ' ecological Units' with abiotic environmental produce different higher order 'biosystem' known as 'ecobiosystem' of higher biotic levels are studied in ecology as a branch of biology where in the interrelationships of functional linkages between each ecobiosystem (of higher biotic level) and surrounding physical environment and among organisms are studied. The geoecological study of geobiosystems involving spatial unit of various dimension falls within the realm of enviromental geography. The biological unit of the largest biotic level known as biome is exclusively studied in environmental Geography. The study of spatial organisation of distributional patterns of interrelationships between biotic and abiotic components of different geobiosystems and between geobiosystems and technologycally advanced man. ❑❑

# তোমাৰ উমাল বুকুৰ সান্নিধ্য বিচাৰি...........

মোমিনুৰ মোল্লা
স্নাতক ২য় বৰ্ষ

(১)

নীলাভে মোবাইলটো অফ কৰি চিঞৰি চিঞৰি মাকক মাতিলে।

ঃ কি হ'ল অ' ইমানকৈ চিঞৰিছ' কিয় ?—নীলাভৰ মাকে আগবাঢ়ি আহি ক'লে।

ঃ মা, মই অহাকালি ডাঙৰ বাইদেউৰ ঘৰত যাম। দেউতাক কবা আৰু ৰাতিপুৱা চাৰি বজাত মাতি দিবা, চিফুং পেছেঞ্জাৰত যাম।

ঃ ইমান উৎফুল্লিত যে? নতুন গল্পৰ প্লট বিচাৰি পালি? নে বিচাৰিবলৈ যাবি?—মাকে সুধিলে।

ঃ নহয় মা, তোমালোকৰ খেচখেচনিৰ পৰা বাচিব পৰা মেডিচিন বিচাৰিবলৈ যাম।

ঃ তাৰ মানে? —মাৰ মুখত আশ্চৰ্য্যৰ ভাব।

ঃ তোমালোকৰ বোৱাৰী বিচাৰিবলৈ যাম। পছন্দ হ'লে যোগাযোগ কৰিম।

ঃ কি?? —তাৰ কথাত মাকে আচৰিত হৈ ক'লে, "ধন্যবাদ ভগৱান। অৱশেষত মোৰ ল'ৰাৰ সুমতি আহিল।" ভালকৈ চাইচিতি আহিবি। পাৰিলে ফটোও আনিবি।

* * *

নীলাভ এজন ২৭ বছৰীয়া যুৱক। গ্ৰেজুয়েশ্বন কমপ্লিট কৰাৰ পিছত বিছনেছত ধৰিলে। মাষ্টাৰ ডিগ্ৰী লোৱাৰ ইচ্ছা আছিল যদিও সেয়া সম্ভৱ হৈ নুঠিল। আজি-কালি সি এজন প্ৰতিষ্ঠিত ব্যৱসায়ী। লগতে তাৰ এটা ইচ্ছা আছিল গল্পকাৰ হোৱা। বৰ্তমান তৰুণ পাঠকৰ মাজত সি জনপ্ৰিয় গল্পকাৰ। তাৰ গল্পবোৰ নিয়মীয়াকৈ মাহেকীয়া আলোচনীবোৰত প্ৰকাশিত হেছে। কেইটামান গল্প উঠাৰ পিছত তালৈ চিঠিৰ সোঁত বব ধৰিলে। এখন চিঠিত তাৰ দৃষ্টি বৈ গ'ল। খামটোৰ এটা কাষত লিখা আছিল "You are a genius writer" চিঠিখনত প্ৰেৰকৰ কোনো ঠিকনা নাছিল। অকল "মৌ" বুলিহে লিখা আছিল। তাই হেনো তাৰ দুটা গল্প পঢ়িয়েই তাৰ একান্ত অনুগামী হৈ পঢ়িছে। লগতে অনাগত সংখ্যাবোৰত ভাল ভাল গল্প পঢ়িব পাব বুলি আশা ব্যক্ত কৰিছে। সি চিঠিখন বাকীবোৰ চিঠিতকৈ পৃথককৈ ৰাখি থৈছিল।

(২)

পূৱা ট্ৰেইনত বহি ভাবিলে, 'কোন হ'ব এই "মৌ"? কিয় তাই ঠিকনা নিদিলে চিঠিখনত? তাৰ মৌ নামৰ ছোৱালীজনীক কল্পনা কৰিবৰ মন গ'ল। নানা চিন্তা ভাবনাত বুৰ গৈ থাকোতে সি তাৰ গন্তব্য স্থান পালে।

* * *

হাত মুখ ধুই কেইগৰাহমান ভাত খালে সি। .........অলপ আৰামৰ প্ৰয়োজন। সি বিছনাত গাটো এৰি দিলে। .......টক্.......টক্......টক্, মুহূৰ্ততে দুৱাৰত টোকৰ পৰিল।

ঃ কোন?

ঃ মই নয়ন।

ঃ দৰজা খোলা আছে সোমাই আহ। নীলাভৰ বন্ধু নয়ন সোমাই আহিল। নীলাভ বিছনাখনত উঠি বহিল।

ঃ শুই আছিলি?

ঃ অ, এনেয়ে অলপ বাগৰ দিছিলো। ক, কিয় মাতিছিলি?

ঃ ছোৱালীজনী আমাৰ ঘৰত আহিছে। ভাবিলো এই সুযোগতে তোৰ লগত পৰিচয় কৰাই দিম।

ঃ যোৱাকালি ফোনত কোৱাজনী?
ঃ হয়।
নীলাভ তৎমুহূৰ্ততে বিছনাৰ পৰা নামি লংপেণ্ট-চাৰ্টযোৰ পিন্ধি ল'লে। বাইদেউক মাত দি নয়নৰ লগত ওলাই গ'ল সি।
ঃ নয়ন তোলৈ ৰিকুৱেষ্ট এটা।
ঃ ক'।
ঃ পৰিচয়ত মই যে লিখক, এই প্ৰসঙ্গটো নাহিলে মই সুখী হ'ম। পাৰিলে নামটোও বদলাই কবি।
ঃ কিন্তু তাই নীলাভ নামৰ লিখকজনকহে ভাল পায়। তেনে অৰ্থত নামটো লুকুৱালে।
ঃ মই পৰীক্ষা কৰিম তাইৰ ৰুচি মোৰ লগত কিমান মিলে। তাৰোপৰি জীৱনসঙ্গী এজনী বাচিবলৈ হ'লে তাইৰ বিষয়ে বহুত কথা জানিবলগা হয়।
নয়নে বাইক পদূলিমুখত ৰখাই দিলে। দুয়ো ভিতৰ সোমাল।
ঃ নয়ন দা, ক'লৈ গৈছিলা? —ছোৱালী এজনীয়ে সুধিলে।
ঃ বন্ধু এজনক আনিবলৈ। —নয়নৰ পিছে পিছে নীলাভ সোমাই যোৱাত ছোৱালীজনীয়ে অসহজবোধ কৰি বহাৰ পৰা থিয় দিলে। নয়নে বহিবলৈ কোৱাত পুনৰ বহি পৰিল তাই। —এয়া মোৰ বন্ধু মানস, কোক্ৰাঝাৰত ঘৰ, এয়া মৌচুমী। পৰিচয়পৰ্বত দুয়োৰে নমস্কাৰ বিনিময় হ'ল। প্ৰথম দৃষ্টিতেই মৌচুমীক ভাল লাগিল নীলাভৰ।
ঃ পঢ়া-শুনা? —মানস ওৰফে নীলাভে সুধিলে।
ঃ এইবাৰ গ্ৰেজুয়েশ্বন কমপ্লিট হ'ল। —বিৰক্তি পোৱা যেন লাগিল তাইৰ কথা কোৱাৰ ভঙ্গীত। দুনাই নামাতিলে সি।
ঃ বহক, আহো মই। —তাক মাত লগাই গুচি গ'ল তাই।
ঃ হেই, একো নুসুধিলি কিয় তই? —ইমান বেলি মৌন হৈ বহি থকা নয়নে মাতিলে।
ঃ দেখিলিয়েচোন তাইৰ মোৰ লগত কথা পতাৰ ইচ্ছাই নাই। মিছাতেই তাইক আমনি দিব নিবিচাৰিলোঁ।
ঃ তোৰ কাৰণেই এইবোৰ লেঠা। তই তোৰ পৰিচয় গোপন ৰাখিলি কিয়?
ঃ তাই জানো পৰিচয়ত আগ্ৰহী আছিল? বাদ দে সেইবোৰ। যি হবৰ হ'ল, আগলৈ ভাব।
ঃ আহ চাহ খাবি। —নয়নৰ মাকে দুয়োকে পাকঘৰলৈ লৈ গ'ল।

* * *

নীলাভ বাইদেউহঁতৰ ঘৰত দুদিন থাকি ঘৰলৈ ঘূৰি গ'ল আৰু বিজনেছত মনোযোগ দিলে। ..........
হঠাৎ এদিন নয়নে পঠোৱা চিঠি এখন পালে সি। চিঠিখন খুলিলে। তাত নয়নৰ চিঠিৰ লগত আৰু এখন চিঠি। আখৰবোৰ তাৰ চিনাকি চিনাকি লাগিল। প্ৰথমতে নয়নৰ চিঠিখন পঢ়িলে সি।

মৰমৰ নীলাভ,
মৰম লবি। সিদিনা মই মৌচুমীক ক'লো তই তাইক ভাল পাৱ বুলি। প্ৰত্যুত্তৰত দুদিন পিচত তাই মোলৈ এখন চিঠি পঠালে চিঠিখন মই তোলৈ পঠালো। জান, তাই নীলাভ নামৰ লিখকজনৰ প্ৰেমত বলিয়া। নীলাভৰ বাহিৰে তাই একো নুবুজে।
তই মানা নকৰা হ'লে মই তোৰ পৰিচয় তাইৰ আগত দাঙি ধৰিলোহেঁতেন। কিন্তু তই মানা কৰাৰ কাৰণে মই তাইক একো কোৱা নাই। মৌচুমীৰ চিঠিখন পঢ়ি চাবি?

তোৰ বন্ধু-
'নয়ন'

এইবাৰ সি দ্বিতীয় চিঠিখন খুলিলে—
মৰমৰ নয়ন দা,
আপুনিতো জানেই মই নীলাভৰ বাহিৰে সম্প্ৰতি কাৰো কথা ভাবিবই পৰা নাই। নীলাভ মোৰ

প্ৰথম প্ৰেম। মই নীলাভৰ প্ৰথম গল্পটো পঢ়াৰ পিছৰে পৰা অজানিতে তাক ভাল পাই পেলাইছো। তেনে অৰ্থত মই কিদৰে আপোনাৰ বন্ধু মানসক ভাল পাব পাৰো, কওকচোন? নাজানো মোৰ প্ৰেমৰ উপহাৰ নীলাভে প্ৰেমেৰেই দিব নে নিদিব? কিন্তু মই কল্পনাতেই তাৰ সান্নিধ্য বিচাৰি ফুৰো। এক সুঠাম, দেখনিয়াৰ, স্মাৰ্ট যুৱকে মোৰ মানসপটত ভূমুকি মাৰে। মোৰ কল্পনাক মই দিঠকত পৰিণত কৰিবলৈ বিচাৰো। মানসক কব মোক ক্ষমা কৰিবলৈ। ইতি-

আপোনাৰ ভণ্টি
"মৌচুমী"

আখৰবোৰ নীলাভলৈ পঠোৱা 'মৌৰ' চিঠিৰ আখৰ লগত একে। তাৰমানে মৌচুমীয়েই 'মৌ'। বেচেৰীৰ কিমান যে কল্পনা সুঠাম, দেখনিয়াৰ স্মাৰ্ট নীলাভকলৈ। হাঁহি উঠি গ'ল নীলাভৰ। কিন্তু সি যে তাইৰ কল্পনাৰ বিপৰীত। ক্ষীণ, দেখনিয়াৰ বুলিতো তাক কোনেও কোনো দিন কোৱা নাই আৰু স্মাৰ্ট? মানুহবোৰে দেখোন তাক লাজুকীলতা বুলিহে জোকায়।

'বেবছী দৰ্দ কা আলম—তাৰ মোবাইলটো সজোৰে চিঞৰি উঠিল। নয়নৰ নাম্বাৰ। সি অন কৰিলে মোবাইলটো।

ঃ হেল্লো নীলাভ, তই আহি যা অহাকালি। তোৰ লগত হেনো মৌৰ কথা আছে। পুৱাৰ ট্ৰেইনত আহিবি। মই মৌক খবৰ দিম।

ঃ কিন্তু?.........

ঃ কোনো কিন্তু নাই তই আহিব লাগিব, ৰাখিলো বাই। —নীলাভক কথা কোৱাৰ সুযোগেই নিদিলে নয়নে।

❋ ❋ ❋

পিছদিনা পুৱা নীলাভ গুচি আহিল নয়নহঁতৰ তালৈ। আহিয়েই নয়নক লগ কৰিলে।

ঃ মৌ কাজিৰঙা হোটেলত থাকিব বুলি কৈছে, যা সোনকালে। —নয়নে ক'লে।

ঃ তই তাইক কৈছ নেকি মোৰ বিষয়ে?

ঃ নাই কোৱা।

ঃ তই নাযাব'?

ঃ মোৰ পোষ্ট অফিচত অলপ কাম আছে। মই আধাঘণ্টামান পিছত তোক লগ কৰিম। নয়ন গুচি গ'ল। সি 'ধানদ্বীপ'ৰ পৰা নতুনকৈ অহা তৃষ্ণাতুৰখন ল'লে। তাত তাৰ 'জোনাকৰ প্লাৱন' নামৰ গল্পটোৰ লগতে পাঠকৰ বিপুল দাবীত তাৰ ঠিকনাসহ ফোন নম্বৰ সবিস্তাৰে প্ৰকাশ পাইছে। অৱশ্যে তাৰ এড্ৰেচ দিবলৈ সম্পাদকে তাৰ পৰা অনুমতি লৈছে। সি কাজিৰঙা হোটেললৈ খোজ ল'লে। তাৰ মোবাইলটো বাজি উঠিল। নয়নৰ ফোন। মৌৰ নাম্বাৰ দিলে তাক। হোটেলত লগ নাপালে কণ্টেক্ট কৰিব ক'লে সেই নম্বৰত। সি নম্বৰটো ছেভ কৰি থলে।...........

হোটেলত তাই একান্তমনে কিবা পঢ়ি আছে।

ঃ হেল্ল' মৌচুমী। —নীলাভে মাতিলে।

ঃ অ আহিল আপুনি, বহক। নীলাভৰ গল্প উঠিছে তৃষ্ণাতুৰত তাকেই পঢ়ি আছিলো। ওৱাও! আপুনিও তৃষ্ণাতুৰ পঢ়ে নেকি?

ঃ এনেয়ে মাজে মাজে টাইম পাচ কৰিবলৈ।

ঃ আচলতে কৰ পৰা আৰম্ভ কৰিম বুজিব পৰা নাই।........নয়নদাই ক'লে তুমি হেনো মোক ভাল পোৱা?........সঁচানে?

তুমি সম্বোধনটো তাক যেন তাইৰ কাষ চপাই নিলে।

ঃ তুমি জানো মোক ভাল পোৱা? —নীলাভে ওলোটাই সুধিলে।

ঃ ........... 'কাশ মেৰী তকদিৰ মে
খুদা নে ইতনা তো লিখ দিয়া হোতা
নীলাভ নে কুচ পল কে লিয়েহি
হামকো অপনা বানা লিয়া হোতা।'

নীলাভক মই খুব ভাল পাওঁ জানা! তুমি হয়তো

চিনি পাবা। জনপ্রিয় গল্প লিখক নীলাভ গোস্বামী। এইবাৰ তৃষ্ণাতুৰত তাৰ গল্প প্ৰকাশ পাইছে 'জোনাকৰ প্লাবন'।

ঃ হয়। মই আগতেও তেওঁৰ গল্প পঢ়িছো।

ঃ নয়নদাই মোক কৈছিল, তোমাৰ কল্পনাৰ প্ৰেয়সীজনী হেনো মই। আচলতে মই ভাবিলো, তুমি মিছাতেই মোৰ বিষয়ে কিবা কিবি ভাবি থাকিবা। সেয়ে তোমাক মাতি স্পষ্টভাৱে কোৱাৰ সিদ্ধান্ত ল'লো। তুমি ক্ষমা কৰিবা।

সি কি কৰিব এতিয়া। তাইক ক'ব নেকি সিয়েই নীলাভ বুলি। নাই নয়নৰ দ্বাৰাই কোৱাব। —মই আহো বুলি খোজ দিলে সি পোষ্ট অফিচলৈ বুলি। মৌচুমীয়ে মাতিলে যদিও উভতি নাচালে সি।.........

কিহবাৰ শব্দত সোঁফালে ঘূৰি চালে মৌচুমীয়ে। মানসে মোবাইলটো এৰি গ'ল। তাই মানসক মাতিলে যদিও মানস তেতিয়া তাইৰ মাতে ঢুকি নোপোৱা দূৰত্বত...........

ঃ হেল্ল'।—অবিৰাম গতিত বাজি থকা মোবাইলটো কাণত লগালে মৌৰে।

ঃ নীলাভক লাগিছিল। —অচিনাকি মাত এটা ভাহি আহিল সিমূৰৰ পৰা।

ঃ কোন নীলাভ??—মৌৰে সুধিলে।

ঃ তৃষ্ণাতুৰ আলোচনীৰ নিয়মীয়া গল্প লিখক। মোবাইলটো নীলাভৰ নহয় জানো।

তাৰমানে মানসেই নীলাভ।—ভাবিলে তাই।

ঃ ৰব।—ঘূৰিবলৈ লওতেই সন্মুখত মানসক দেখা পালে।—লোৱা মোবাইলটো তাক দিলে তাই।

ঃ হেল্ল??..........

ঃ হেল্ল' নীলাভ, তোমাৰ শেহতীয়া মানে দুমাহ আগতে প্ৰকাশ পোৱা "আশা নিৰাশাৰ মাজেৰে" গল্পটো ভালপোৱা পাঠকৰ চিঠিয়ে হাফ চেঞ্চুৰী মাৰিলে। তুমি আহি লৈ যোৱাহি। লগতে নতুন গল্পও দুটামান লৈ আহিবা। বাই।—সংযোগ বিছিন্ন কৰিলে সম্পাদকে। পুনৰ বাজি উঠিল নীলাভৰ মোবাইল। মনিটৰত মৌৰ নম্বৰ জিলিকি উঠিল। সি তাৰ ফালে চালে। ক্ৰুদ্ধ দৃষ্টিৰে তাই তালৈ চাই আছে।

ঃ তাৰমানে তুমি আৰু নয়নে মোক ইমানদিন অন্ধকাৰত ৰাখিছিলা। কিয় কোৱা নাছিলা তুমিয়েই মোৰ নীলাভ বুলি।—তাই তাৰ বুকুৰ মাজত সোমাই পৰিল।

বহু প্ৰতীক্ষাৰ অন্তত মৌৰে তাইৰ নীলাভক পাইছে কাষত- হৃদয়ৰ একেবাৰে কাষত। তাই তাক হেৰুৱাব নিবিচাৰে। চিৰকালেই তাই তাৰ বুকুৰ উম লৈ থাকিব।—ভাবিলে তাই।

নীলাভে তাৰ মাক ফোন লগালে,—"মা নতুন গল্পৰ প্লট এটা বিচাৰি পালোঁ।"

☐☐

# প্ৰগতিৰ স'তে আগুৱাই যাওঁ

মিছ ঋতুপৰ্ণা বসুমতাৰী
উঃ মাঃ প্ৰথম বৰ্ষ

প্ৰতীমৰ এই কেইদিন সময় নাই। সিহঁতৰ গাঁওত এটা সংঘ পতাৰ কাম চলি আছে। সেইবাবে এইকেইদিন প্ৰতীমৰ গাত তত নাই। পোহৰদিয়া গাঁও। গাঁওখন ইমান উন্নত নহয়। এই পোহৰদিয়া গাঁওৰেই উদয়ীমান যুৱক প্ৰতীম শইকীয়া। নিবনুৱা। বি. এ. পাছ কৰি ঘৰতে আছে কিন্তু গাঁওখনৰ উন্নতিৰ বাবে কিবা এটা কৰাৰ হেঁপাহ। ঘৰত মাক, দেউতাক আৰু ভনীয়েক এজনী। ঘৰৰ অৱস্থা ইমান স্বচ্ছল নহয়। দেউতাক খেতিয়ক। যোৱাবাৰ বানপানীৰ কাৰণে খেতি কৰিব পৰা নাই।

প্ৰতীমহঁতৰ ওচৰতে ঝৰ্ণাহঁতৰ ঘৰ। মাক আৰু দেউতাকৰ তাই একমাত্ৰ সন্তান। দেউতাক এই গাঁওখনৰে এল. পি. স্কুলত শিক্ষকতা কৰি আছে। তাইও বি. এ. পঢ়ি নিবনুৱা। প্ৰতীমৰ স'তে তাই এই কেইদিন খুব হাতে কামে লাগি আছে। কিন্তু এই গাঁওখনত কেইজনমান কপটীয়া মানুহ নোহোৱা নহয়। তেওঁলোকে এতিয়াও সভ্যতাৰ পোহৰ পোৱা নাই। পুৰণি ৰীতি-নীতি এতিয়াও এৰিব পৰা নাই।

নৰেনহঁতে গাঁওখনৰ এই অৱস্থা কৰিছে। এই গাঁওৰ জানকী পেহীক সকলোৱে চিনি পায়। সৰুতে মাক-বাপেকক হেৰুৱাই জানকী পেহী বিয়া নোহোৱাকৈয়ে থাকি গ'ল। তেওঁৰ বয়স ৬৮ বছৰ মান হৈছে। নৰেনৰ ছোৱালীজনীৰ আজি পাঁচ মাহ মানৰ পৰা বেমাৰ। খাব নোৱাৰে, উঠিব নোৱাৰে। বেজ, কবিৰাজ কত দেখুৱালে তথাপি ভাল পোৱা নাই। প্ৰতীম,ঝৰ্ণাহঁতে ডাক্তৰৰ ওচৰত নিবলৈ কৈ আছে যদিও নৰেনৰ মতে ডাক্তৰবোৰৰ একো কাম নাই। বেজ, কবিৰাজ বোৰেই ভাল। আৰু প্ৰতীমহঁতৰ সংঘই কাম কৰাতো তেওঁলোকে ভাল পোৱা নাই। জানকী পেহীও নৰেনহঁতৰ ঘৰলৈ অহা-যোৱা কৰি থাকে। কিন্তু নৰেন, ভোগেশ্বৰহঁতে তাইক অমংগলীয়া বুলি গণ্য কৰে। ঝৰ্ণা, প্ৰতীমহঁতে নৰেনক কয়, "চোৱা খুড়া, কাৰোবাৰ মুখ দেখিলেই অমংগল এইবোৰ সম্পূৰ্ণ যুক্তিহীন কথা। আজি কালি এইবোৰ উঠি গৈছে। এই যুগতো হৈছে শিক্ষা-দীক্ষা, জ্ঞান-বিজ্ঞানৰ যুগ।" আগুৱাই যোৱাৰ যুগ'। নৰেনে তাৰ উত্তৰত কয়, 'পঢ়ি-শুনি কিনো মহাভাৰত ফালিলি। বৰ বৰ কথা কোৱাহে'।

এনেকৈয়ে দিন গ'ল। লাহে লাহে নৰেনৰ ছোৱালীজনীৰ অসুখ বাঢ়ি আহিল। নৰেনে জানকী পেহীক সন্দেহৰ চকুৰে চাবলৈ ধৰিলে। নৰেনে ধৰি ল'লে জানকী পেহী কিবা বেয়া বিদ্যা জানে। তাই ডাইনী, তাইয়ে ছোৱালীজনীক কিবা কৰিছে। গাঁওৰ কেইজনমানেও এই কথাত হয়ভৰ দিলে। জানকী পেহীৰ গাঁওৰ মানুহৰ লগত ইমান মিলা-মিছা নাছিল। সকলোৰে চকু জানকী পেহীৰ ওপৰত।

গাঁওত হুলস্থুল লাগিল। সকলোৰে মুখে মুখে জানকী পেহীৰ নাম। গাঁওত নৰেনে গাঁওবুঢ়াৰ ওচৰত বিচাৰ দিলে। সকলোৰে সন্মুখত নৰেনে ক'লে "মোৰ ছোৱালীজনীৰ অতদিনে বেমাৰ ভাল হোৱা নাই। কত কবিৰাজ, বেজক দেখুৱালো কিন্তু ছোৱালীজনীৰ ভাল নহল। আপোনালোক ৰাইজ সকলোৱে দেখিছে। এই জানকী, তাই মোৰ ছোৱালীজনীক খাইছে। তাই ডাইনী বিদ্যা জানে। তাইৰ চকুকেইটাৰে কেনেকৈ মোৰ ছোৱালীজনীৰ ওপৰত চাই আছে, ৰাইজসকল। গতিকে মই বিচাৰো তাইক শাস্তি দিব লাগে। তাই দোষী, আপোনালোকে কিবা কৰক। কেইজনমানে এই কথাত হয়ভৰ দিলে।

ঝৰ্ণা আৰু প্ৰতীম তাত উপস্থিত নাছিল। সিহঁতে এই কথা শুনি আচৰিত হ'ল। সিহঁতে আহি সকলোকে ক'লে এই বিলাক পুৰণি দিনৰ কথা। আজি কালি এই অন্ধ বিশ্বাস, কুসংস্কাৰ উঠি গৈছে। এই বিলাকৰ কোনো যুক্তি নাই। তোমাৰ ছোৱালীজনীক ডাক্তৰক দেখুৱাবা। আৰু এই শিক্ষা-দীক্ষাৰ যুগত তোমালোকে আগুৱাই অহা উচিত। সিহঁতৰ কথা শুনি সকলোৰে চকু মুকলি হ'ল। আৰু লগতে সিহঁতে ইয়াকো ক'লে যে সিহঁতৰ সংঘটোৰ নাম 'প্ৰগতি সংঘ'। প্ৰগতিৰ পথত সমাজখনক আগুৱাই নিয়াই হ'ল প্ৰগতি সংঘৰ প্ৰধান উদ্দেশ্য। □□

# নীলা খামৰ চিঠি

শ্ৰীদীপাংকৰ বৈশ্য
ধূপধৰা, গোৱালপাৰা।

(১)

মৰমৰ

আশা

হৃদয়ত সজীৱকৈ সাচি ৰখা মৰমবোৰ আৰু আশাবোৰ দকৈ শিপাইছিল অতীতৰ বুকুত। এই মৰম-আশাবোৰে বৰকৈ মনত পেলাইছিল তোমালৈ। গতিকে মৰম আৰু আশাবোৰ একলগ হোৱাৰ প্ৰচেষ্টাতে হয়তো জন্ম হ'ল এখন চিঠিৰ-যিখন চিঠি তোমাৰ বাবে মূল্যহীন, অৰ্থহীন। তথাপিও আগৰদৰে হৃদয়ৰ মৰমবোৰ তোমালৈ.......পাৰিলে ল'বা। তোমাৰতো ভালেই। মোৰ......আছো আৰু তোমাৰ ভাল লগাবোৰতেই হাঁহি। জানো কোনো কোনো মুহূৰ্তত মানুহে কেতিয়াবা আপোনজনকও গুৰুত্ব নিদিয়ে কিন্তু যিখিনি ঠাইত গুৰুত্বৰ প্ৰয়োজন.......। বিশ্বাস কৰিবানে তুনি অবিহনে (?) তোমাক হেৰুৱাই এতিয়া মই আশাহীন যাত্ৰাৰ লক্ষ্যহীন পথিক। জানানে কিমান ভাল পাওঁ তোমাক। তোমাৰ চাগে জনাৰ প্ৰয়োজন নহ'ল। এতিয়াও ভাল পাওঁ তোমাক বহুত। তুমি গুচি গ'লা আশাবোৰ ভাঙি, মৰমবোৰ চিঙি। মনত আছেনে ভালপোৱাৰ নদীখনত সাঁতুৰিবলৈ তুমিয়ে প্ৰথম প্ৰেৰণা দিছিলা আৰু বেদনাবোৰো তুমিয়ে প্ৰথম দিলা। কিয় আঁতৰি গ'লা। কিয় দুখ দি ভালপোৱা। ভুল ক'ত আছিল; বিচাৰি বিচাৰি ভাগৰি পৰিছো। যদি কেতিয়াবা কৰবাত ভুল কৰিলো তুমিয়েচোন চকুত বিশ্বাসৰ ভাৱ ৰাখি ভুলবোৰ শুধৰাই দিয়া। এতিয়া একো নকোৱাকৈয়ে গুচি গ'লা।

আশা এদিন তুমি কৈছিলা, "বাদ দিয়া সেইবোৰ।" কেনেকৈ বাদ দিব পাৰো সেইবোৰ, কেনেকৈ পাহৰিব পাৰো তোমাক আৰু অতীতক? যিবোৰ স্মৃতি হৈ কান্দে প্ৰতিনিশা। ভবাই নাছিলো তুমি আঁতৰি যাবা, বিশ্বাস কৰিবলৈ টান পাইছো তুমিও মোক পাহৰি যাবা, আশা। তোমাক পাহৰিব নোৱাৰিম। বুজিছো প্ৰেম কৰিবলৈ হয়তো মোৰ সিমান যোগ্যতা নাই। মইনো মৰমৰ বাদে কি দিছো বা কি দিব পাৰিম। কিন্তু কওঁ শুনা, ভৱিষ্যৎ নিৰাপত্তা নিশ্চয় দিব পাৰিলোহেঁতেন। তুমি চাগে ভাবিছা মোৰ নিজৰে কোনো নিৰাপত্তা নাই তেন্তে.....। অতীতক পাহৰি গ'লা। কিন্তু সেই অতীতৰ কোনো এক দিনক সাক্ষী কৰি কৈছিলা; "সুখে-দুখে মই তোমাৰে হৈ থাকিম।"

তুমি সুখেৰে থাকা। তুমি কামনা কৰা একো বস্তুৰে হয়তো তোমাক সুখী কৰিব নোৱাৰিম। এটা কথা কওঁ শুনা-জানো তুমি এগৰাকী আধুনিক নাৰী। কিন্তু এই আধুনিকতাৰ যন্ত্ৰসদৃশ বৰ্তমানত তুমি যাতে হেৰাই নযোৱা। এয়া মোৰ তোমালৈ পৰামৰ্শ বা সতৰ্ক বাণী বা যি বুলি ভবা সেয়া তোমাৰ কথা। কেতিয়াবা যদি বিপদৰ সন্মুখীন হোৱা আৰু কাষত কোনো নাথাকে তেতিয়া মোক মনত পেলাবা। মই নিশ্চয় তোমাৰ একেবাৰে কাষত উপস্থিত হ'ম আগৰ সেই একেই বিশ্বাস আৰু মৰমবোৰ লৈ। তুমি চাগে হাঁহিছা মানুহৰো যে ট্ৰেজেদী থাকে। জীৱনত যেতিয়া কোনোৱে আটাইতকৈ প্ৰিয় আৰু আপোন কিবা এটা হেৰুৱাই তেতিয়া বুকুৰ বেদনাবোৰ চকুলো হৈ সৰি পৰে আৰু সেই চকুলো গৈ উপস্থিত হয় অতীতৰ কোনো এক ভাল মুহূৰ্তত। চকুলোবোৰে পুনৰ জীপাল কৰে হৃদয়ত আপোনজনক পাবলৈ। আশা, তোমাক হেৰুৱাই মই এক প্ৰকাৰ পঙ্গু হৈ পৰিছো। তুমি কাষত থাকোতে যিমান ভাবিছিলো তোমাক, তুমিহীনতাত বহু বেছিকৈ অনুভূত হৈছে তোমাৰ

স্পৰ্শ, চকুৰ চাৱনিবোৰ-যি চাৱনিয়ে মোক জীয়াই থাকি আগবাঢ়ি যাবলৈ উৎসাহিত কৰিছিল আৰু স্পৰ্শই মোক প্ৰেৰণা দিছিল সৃষ্টিত। এতিয়া তুমি নাই তথাপি ভাল লাগে তুমি অবিহনে তোমাক প্ৰয়োজনতকৈ বহু বেছিকৈ অনুভৱ কৰিব পাৰো। আহিবানে কেতিয়াবা তুমি? নালাগে দিয়া আহিব। মই যে ব্যস্ত হৈ থাকো সদায় বেদনাবোৰৰ সৈতে। হয়তো তোমাক চাববো সময় নহ'ব। এতিয়া এৰিছো, বেদনাবোৰৰ ব্যস্ততাই চাগে ৰৈ আছে। তুমি সুখী হোৱা। মৰমেৰে—তোমাৰ

(২)

সোণ

তোমালৈ

এয়া বহু দিনৰ মূৰত তোমালৈ লিখিবলৈ ওলাইছো দ্বিতীয়খন কিন্তু প্ৰথমখন নীলা খামৰ চিঠি। বহুত মনত পৰি থাকে তোমাৰ কথা, যেতিয়াৰে পৰা আঁতৰি গৈছিলা চাৰিবাহুৰ প্ৰেমৰ বান্ধোন চিঙি। আজি যে লিখিবলৈ বহিছো বহু কথা, চোৱা তোমাৰ ছবিখনে ধৰা দিছে বগা কাগজৰ মাজত। তোমাক দেখি বেদনাবোৰ কোনোবা অচিনাকি ঠাইলৈ উৰি গৈছিল। তথাপি চকুলো সৰি আহিব বিচাৰিছিল কিন্তু কি আচৰিত! চকুলো বাগৰি আহিলে হয়তো চকুলোৱে বুজি পাইছে কাগজখন তিতিলে তুমিও নহোৱা হবা। জানা সোণ প্ৰতিটো দিনেই বুকুত কঢ়িয়াই লৈ গৈ আছে বেদনা জড়িত বহু স্মৃতি। স্মৃতিৰ সেই দিনবোৰে মোক হাঁহিবলৈ দিয়ে........ক্ষন্তেকৰ বাবে। দুখবোৰ ইমান গধুৰ হৈছে যে প্ৰতি পলে মোক আমনি কৰে। গধুৰ বোজাটো কঢ়িয়াই ফুৰোতে হাঁহিবলৈ সময়ে নাপাওঁ।

সোণ, তুমি বাৰু কেতিয়াবা অতীতলৈ উভতি যোৱানে? যি অতীতে আমাক হাঁহিবলৈ শিকাইছিল, যি অতীতত চকুত চকু ৰাখি কৈছিলা, মই তোমাক ভাল পাওঁ নয়ন, কেৱল তোমাক। আৰু হাতত হাত ধৰি কি কৈছিলা, "মই তোমাৰ পৰা কেতিয়াও আঁতৰি নাযাওঁ, তোমাকো মোৰ পৰা আঁতৰি যাব নিদিওঁ।" মনত পৰেনে কেতিয়াবা কৃষ্ণচূড়াক সাক্ষী কৰি কোৱা কথাবোৰ। খুউব ভাল পাইছিলো তোমাক........এতিয়াও পাওঁ। ক'ত হেৰাল তোমাৰ প্ৰতিশ্ৰুতি......তোমাৰ মৰমবোৰ? আচলতে অন্ধ হৈছিলো তোমাৰ প্ৰেমাভিনয়ত। মৰমবোৰক বিশ্বাসেৰে মৰ্যাদা দিছিলো। এতিয়া হাৰি গ'লো। একোকে মনত নপৰে তোমাৰ। ........ইমান খিনি হোৱাৰ পিছতো মোক পাহৰি যাব পাৰিবা বুলি কেনেকৈনো ভাবিব পাৰো। বন্ধুবোৰে তুমি প্ৰতাৰণা কৰা বুলি ক'লে সিহঁতক গালি দি কওঁ তুমি এয়া অভিমানহে কৰি আছা। সঁচাকৈয়ে তুমি অভিমান কৰিছানে? সঁচাই তুমি আঁতৰি গ'লা নহ'লে....। তোমাৰ অবিহনে যে এক মুহূৰ্তও কটাব নোৱাৰো তুমিচোন জানাই। কিন্তু কিহৰ বাবে এনেকুৱা অভিশাপ দিলা। যাক সুখত দেখিলে তোমাৰ দু-ওঁঠত হাঁহি বিৰিঙে, যাৰ সফলতাত তুমি আনন্দত আত্মহাৰা হোৱা। তথাপি কিয় সেইজনকে বেদনাৰ কাৰাগাৰত বন্দী কৰিলা, কিয় কিয় দুখবোৰ দেখি; অশ্ৰুৰ টোপাল দেখি হাঁহি ভালপোৱা কিয়? সোণ, কিয় নামৰ এই ডাঙৰ (?) টোৰ উত্তৰ জানো দিব পাৰিবা।

অৰ্থহীনতায়ো কেতিয়াবা কেতিয়াবা হয়তো প্ৰেম নামৰ পৱিত্ৰ বান্ধোনটোকে পঙ্গু কৰে, নহয়নে সোণ। মই এই অৰ্থহীনতাৰে বশৱৰ্ত্তী। কাৰণ সময়ে প্ৰেমৰ সমান যোগ্যতাকহে প্ৰাধান্য দিয়ে। আচ্ছা হ'ব দিয়া তুমিয়ে কিছুদিন আগত কৈছিলা তোমাৰ পৰা আঁতৰি থাকিলেহে তুমি সুখী অনুভৱ কৰা। এয়া চোৱা আজি তোমাৰ পৰা বহু আঁতৰত মোৰ অৱস্থান। কিন্তু তুমি বিচাৰিলে নিশ্চয় কাষতে পাবা। সঁচা কৈছো পাহৰিব নোৱাৰিম তোমাক। তুমি সদায় কুশলে থকাৰ কামনাৰে—নয়ন। ▢▢

# দুশাৰী মান মাকনীলৈ

তনমন ৰাংফো

মৰমৰ মাকনী,

মৰমবোৰ ঠিক আগৰ দৰে থাকিল। আজি বিশেষ প্ৰয়োজনবোধ কৰি তোমালৈ এই চিঠিখন লিখিলোঁ। আশাকৰো অৱজ্ঞা নকৰি ধৈৰ্য্য সহকাৰে শেষলৈ এবাৰ পঢ়িবা।

আজি কেইদিনমানৰ পৰা মোৰ টোপনি একেবাৰে নহা হৈছে। কি যে দাৰুণ যন্ত্ৰনাই মোক খুলি খুলি খাব লাগিছে! সেই যন্ত্ৰনাৰ কথা তোমাক নকলে মই দহি নিঃশেষ হৈ যাম। সেই বাবেই এই দুপৰ ৰাতি নিজম নিস্তব্ধ পৰিৱেশ এটিত তোমালৈ লিখো বুলি কলম লৈছো। নাজানো চিঠিৰ মাজেৰে অন্তৰৰ দুখ বেদনাবোৰ খুলি লিখাৰ পিছত মনলৈ কিমান সকাহ আহে।

মাকনী, বাহিৰৰ চেঁচা বতাহ এছাটিয়ে গছৰ পাতবোৰ কপাই মধুৰ কৰি তুলিছে। তোমাৰো চাগে বসন্ত পূৰ্ণ পয়োভৰ নামিছে, আৰু পদুলিমুখত থকা তোমালোকৰ নাহৰ জপাওঁ চাগে উপচি ফুলিছে। এৰা, সেয়া হ'বই। কিন্তু মোৰ বাবে সেয়া হৈ নুঠিল। জীৱনত কান্দি কান্দিয়ে আধা বয়স পাৰ কৰি দিলো। ভাৱিছিলো দুখেৰে ভৰা জীৱনটোত এচেৰেঙা সুখৰ পোহৰ পাম। কিন্তু সেয়া মাথো অলীক কল্পনা হৈয়ে ৰ'ল। মাকনী, তোমাক এটা কথা সোধো, গাভৰু ছোৱালী ঘৰত থাকিলে মাক-দেউতাকৰ বাবে গলগ্ৰহ হোৱা কথাটো সঁচানে? অৱশ্যে আনৰ কাৰণে সঁচা নহলেওঁ মোৰ বাবে এয়াই সঁচা। কাৰণ মোৰ জীৱনত যি দুৰ্ঘটনা ঘটি গ'ল বোধকৰো পৃথিৱীত মোৰ দৰে কোনো ভাগ্যৱতী ছোৱালীৰ জীৱনত ঘটা নাই।

যোৱা মাহৰ ১৯ তাৰিখ বৃহস্পতিবাৰে মোৰ বিয়াৰ দিন আছিল। মোৰ জীৱনত বহু আকাংক্ষিত দিন। কিয় জানা? 'লিখা-পঢ়া থাকিলেও মইতো ধুনীয়া নহয়। আজিৰ বিয়াৰ বজাৰখনত দেখোন প্ৰথমতে ধুনীয়াৰহে প্ৰয়োজন। লিখা-পঢ়া বংশ মৰ্যাদা এইবোৰ পিছৰ কথা। সেইবাবেই বহুতো দৰাই নাকচ কৰাৰ পিছত মুখৰ ধুনীয়াতকৈ মনৰ ধুনীয়াক প্ৰাধান্য দিয়া জিতুল দত্ত নামৰ সুদৰ্শন ডেকা এজনে এক অভাৱনীয় প্ৰতিশ্ৰুতি দি গৈছিল—তেওঁ হেনো মোক বিয়া কৰাব। এই প্ৰস্তাৱটো মা-দেউতাকক দিয়াৰ লগে লগে মই আনন্দত আত্মহাৰা হৈ পৰিছিলোঁ। ভাৱিছিলো বহু প্ৰতীক্ষাৰ পিছত মনৰ মানুহজন পালোঁ। মৰহি যাব খোজা স্মৃতি পুনৰ সঞ্জীৱিত হৈ আহিল। বসন্ত প্ৰতীক্ষাত থকা লঠঙা গছবোৰে বৰষুণৰ পৰশ পাই কুঁহিপাত মেলাৰ দৰে মোৰ মৰহি যোৱা মনটোত ন-কুঁহিপাত মেলিল। কিন্তু.........! কিন্তু কি হ'ল জানা? মনে খুন্দা পুখুৰীত বিধাতাই পানী খাব নিদিলে। চকুলো টুকি টুকি গাৰ কাপোৰ মোৰ গাতে তিতি গৈছিল। সময় ইমান নিষ্ঠুৰ। ঘটনাটো কওঁ শুনা—

তেতিয়া দহ কি এঘাৰ বাজিছে। বেন, ঢুলীয়া, ৰাইজ, আয়তীৰ উখল-মাখলত আমাৰ চোতালখন ৰজন-জনাই উঠিছে। জীৱনৰ চিৰসঙ্গী পোৱাৰ আশাত মোৰো মনটো পুলকিতহৈ উঠিছিল। তুমি যিহেতু নাৰী, তুমি বুজিবা নিশ্চয়, এজনী ছোৱালী পূৰ্ণ বয়সত বিয়া বুলি ক'লে কিমান মনভৰা তৃপ্তি লাভ কৰে। মোৰো ভাল লাগিছিল, মিছা নকও। আৰু ভাল লাগিছিল হোম যজ্ঞক সাক্ষী কৰি পুৰোহিতৰ মন্ত্ৰ পাঠেৰে জিতুল দত্তই মোৰ সেঁউতাত সেন্দুৰ

পিন্ধাৰ বুলি। এনেবোৰ ভাৱত মই বিয়াৰ দিনটোত 'এজনী' হৈ আছিলোঁ। কিন্তু সকলোকে আচৰিত কৰি আমাৰ গাঁওৰে হিমু নামৰ ল'ৰা এজনে এটা কৰুণ খবৰ দিলে।

মাকনী, তুমি চাগৈ উৎকণ্ঠিত হৈ পৰিছা। ইমান বেদনাদায়ক কি খবৰ হ'ব পাৰে বুলি। জিতুল দত্তই তেওঁৰ দুজনমান সখীয়েকৰ সৈতে টেক্সী এখনত আহি আছিল আমাৰ ঘৰলৈ বুলি। বিয়াৰ নিশা হয়তো জিতুল দত্তৰো দৰা সাজত ওলাই আনন্দ লাগিছিল। কিন্তু হঠাৎ টেক্সীখন ব্ৰেক ফেইল কৰি দলঙ এখনত খুন্দা মাৰি দ'পানীৰ বুকুত জাহ গ'ল। মোৰ জীৱনৰ আশা আকাঙ্খাবোৰ চিৰদিনৰ বাবে নিমিষতে নিঃচিহ্ন হৈ গ'ল। এতিয়া চোৱা মাকনী, মই কিমান ভাগ্যৱতী ছোৱালী! যি ছোৱালীৰ বিয়াৰ নিশাতে সেন্দুৰ মোছা যায় তাতকৈ বেছি জীৱনত দুৰ্ভাগ্য কি আছে। মাকনী, চকুৰ পানীৰে লিখি থকা আখৰবোৰ মোছা খাইছে। কলম চলাবলৈও গাত শকতি নাইকিয়া হৈছে। কথাবোৰ মনত পৰিলে মৰিবৰহে মন যায়।

...

বৰ্তমান মই বিধৱা সাজত। এনেকৈ থাকিলে ভাল লাগে যদিও অন্তৰত জুই একুৰা উমি উমি জ্বলি থাকে। তুমি দুই এদিনৰ ভিতৰতে আমাৰ ঘৰলৈ এবাৰ আহা। তেতিয়া হয়তো বুজিবা ফুলকুমলীয়া মায়া বৰুৱাৰ আজি কি অৱস্থা। মোৰ দুখৰ কথা কাক কম, কোনে বুজিব। আপদ কালত বহুত শুভাকাংক্ষী আহিছিল। এতিয়া এই বিপদ কালত কোনেও মোৰ ওচৰলৈ নাহে।

মাকনী, মনৰ কথাবোৰ পাতল কৰিবলৈহে তোমালৈ চিঠি লিখিছোঁ। মই বৰ্তমান সাগৰৰ মাজত ডুবি আছোঁ। এনে অৱস্থাত বিৰিণা এডালকো মোৰ সম্বল বুলি ভাব হয়। চকুৰ পানীৰে আখোৰবোৰ নমনা হৈ আহিছোঁ, ধৈৰ্য্যৰ বান্ধ ক্ৰমে সুলকি যাব ধৰিছে। আৰু কিছুসময়ৰ পিছতে ৰাতি পুৱাব, দেউতা উঠিয়ে মাক ক'ব-'কু লক্ষীণি জীয়েৰ এতিয়াওঁ উঠা নাই।' এনেবোৰ কঠিন শব্দৰ আঘাট খাই খাই মই জীয়াই আছো। প্ৰশ্ন হ'ল জিতুল দত্তৰ মৃত্যুৰ বাবে দায়ী জানো মই? আকৌ প্ৰশ্ন হ'ল ধুনীয়া নহয় বুলি কোনো ল'ৰাই চাব নহাৰ ববে দায়ী জানো মই? এইবোৰ প্ৰশ্নৰ উত্তৰ তুমিও দিব নোৱাৰিবা।

বিশেষ কিনো লিখিম—"When heart is full the words are few"........ । ইতি-

আন্তৰিকতাৰে-

তোমাৰ বান্ধৱী

ঃ মায়া ঃ

# মানসীৰ দুধাৰি চকুলো

মিছ ৰুণুমি চৌধুৰী
স্নাতক প্ৰথম বৰ্ষ

শৰৎ কালৰ জোনাক নিশা। আকাশ ফৰকাল। কতো এডোখৰ ডাৱৰো নাই, আছে মাথো অগনন তৰাৰ স'তে জিলিকি থকা জোনটি। ঠিক তেনে এটি সময়তে মানসীয়ে চোতালৰ শেৱালী গছৰ তলত চকীত বহি কিবা ভাবি আছে। জোনৰ পোহৰত চকুত দুধাৰি চকুলো বৈ আহে। মাজে মাজে দুই এজাক মৃদু বতাহত শেৱালী ফুলৰ গোন্ধ চাৰিও পিনে বিয়পি পৰিছে, মানসীয়ে জোনাক খুউব ভাল পায়। কাৰণ এই জোনাকতে আছে তাইৰ দুখময় জীৱনৰ করুণ কাহিনীৰ ঘটনাবোৰ।

যাকলৈ ভৱিষ্যতৰ ৰঙীন সপোন ৰচিছিল, যাঁৰ বাবে নিজৰ জীৱন দিবলৈও প্ৰস্তুত আছিল, সেই প্ৰেমাস্পদ তথা স্বামী দেৱতাক কোনোবা দুবৃত্তই আক্ৰমণ কৰি চিৰ দিনলৈ এই পৃথিবীৰ পৰা বিদায় দিলে। য'ত গ'লে আৰু কোনেও ঘূৰি আহিব নোৱাৰে। এনে এটি মধুৰ জোনাকতেই মানসী আৰু দেৱজিৎ অৰ্থাৎ তেওঁৰ স্বামীৰ স'তে দুটি মন এটি কৰি মৰমৰ সাগৰত ডুব গৈ আছিল। এনেতে জোনাকৰ পোহৰ হঠাৎ কমি যোৱাত তাই আকাশৰ ফালে চাই পঠিয়াই চিঞৰি উঠিছিল আৰু দেৱজিৎতক সাৱতি ধৰি কৈছিল "চোৰাচোন জোনটোক কেনেকৈ ক'লা ডাৱৰে ঢাকি ধৰিছে।" তেতিয়া দেৱজিতে ওলপ বিৰক্তি বোধৰে ক'লে- অহো, তাতেনো কিয় চিঞৰিব লাগে। জোনটোক ডাৱৰে ঢাকিছে, আকৌ ওলাব, তাতেলৈ কিয় চিঞৰ-বাখৰ কৰিছা। তেতিয়া মানসীয়ে ওলপ আঁচৰিত হৈ ক'লে- কিন্তু চোৱাচোন জোনটোক বৰ বেয়াকৈ আক্ৰমণ কৰিছে। সি যেন আৰু কেতিয়াও তাৰ হাতৰ পৰা মানসীৰ কথাখিনি শেষ হ'বই নেপালে এনেতে এটা কৰ্ব্বাৰ পৰা গুলি আহি দেৱজিতৰ মূৰত লাগিছিল আৰু মাটিৰ বুকুত শুই পৰিছিল। লাহে লাহে জোনটোও কলা ডাৱৰৰ পৰা মুক্ত পায়, পোহৰ বিলাবলৈ ধৰিছিল। সেই পোহৰত দেৱজিতৰ সুস্থ, সবল তেজেৰে ৰঙালী হোৱা শৰীৰটো গোটেই জিলিকি উঠিছিল। মানসীৰ মনত এনেকুৱা লাগিছিল যে তাই এটাক হেৰুৱালে এটাক পালে। তাই জোনটোক কেতিয়াও সলাব বুলি ভাৱিছিল। কিন্তু কতা? তাই আগৰ দৰে আকৌ পোহৰ দেখিবলৈ পালে। এই কথাত তাইৰ বৰ ভাল লাগিল কিন্তু যাৰ সতে এই মধুৰ জোনাক উপভোগ কৰিছিল, তেওঁক আজি কোনে এই অৱস্থা কৰিলে?

মানসীয়ে বেদনাত আৰু আনহাতে বিদ্ৰোহত ভাৱত চিঞৰি উঠিল। "মই ইয়াৰ প্ৰতিশোধ ল'ম"। কিন্তু এই কথা কোৱাৰ পিছত তাই ভাবিলে, তাই জানো কাৰোবাৰ ওপৰত প্ৰতিশোধ ল'ব পাৰিব? আৰু ল'বই বা কাৰ ওপৰত? কিন্তু তাইৰ স্বামীৰ আকস্মিক মৃত্যুত তাই যে ভাগৰি পৰিছে, তাই ক'লৈ যাব কি কৰিব নে স্বামীৰ পথৰ সহ যাত্ৰী হ'ব! নাই......নাই তাই একো নকৰে। সমাজৰ এই কু-সংস্কাৰবোৰ তাই দমন কৰিব পাৰিবনে? তাই এইবোৰ দমন কৰিবলৈ এনেকৈয়ে নিজৰ মনকে প্ৰশ্ন কৰি নিজেই উত্তৰ দি কিমান সময় কটাইছিল, তাই ক'বই নোৱাৰিছিল। আনফালে স্বামীৰ মৃত দেহ। তাই কাৰ সৈতে কথা ক'ব? কোনে তাইক মৰম সনা মাত এষাৰি দিব, জোনাক নিশা কোনে তাইক মৰমেৰে সাৱটি ধৰিব, তাই নিজকে প্ৰশ্ন কৰিলে আৰু স্বামীৰ মৃত দেহক সাৱটি ধৰি ক'লে—হে, স্বামী দেৱতা, হে মোৰ প্ৰিয়তম, অহা জনমত তুমি আৰু মোৰ

প্ৰেমীক হৈ জন্ম নলবা, মৰমৰ বেদনালৈ পৰিণত কৰি তুমি এনেকৈ গুচি নেযাবা।

এনেতে বাহিৰত কিবা কান্দোৰ শব্দ শুনি মানসীৰ মাকে বাহিৰলৈ ওলাই আহিল আৰু মানসীক আঁচৰিত হৈ সুধিলে—“মানসী, আইজনী তোৰ কি হৈছে? জোঁৱাইয়ে কিবা কৈছে নেকিও.....আই”। তাই মুখেৰে একোৱেই নেমাতিলে। আনফালে মাকে দেৱজিতক নেদেখি সুধিলে “জোৱাই ক'লৈ গ'ল আই? তাইৰ মুখৰ পৰা একো শব্দ শুনা নগল। জোনাকৰ পোহৰত তিৰ বিৰাই থকা তাইৰ চকুত মুকুটাৰ দৰে দুধাৰি চকুলো। তাৰ বাহিৰে আন একো নাই। হঠাৎ মাকে চিঞৰি উঠিল। “দেৱজিৎ, মোৰ বোপাই কি হৈছে তোৰ” মানসী তই দেখা নাই জোঁৱাই দেখোন মাটিত বাগৰি আছে আৰু...........আৰু......এইবোৰ দেখোন ....তেজ। কি... হৈছে...এই বোৰ? মই কি দেখিবলৈ পাইছো এইবোৰ। হে ভগৱান এই ঘটনা কেনেকৈ হ'ল, মাকে মানসীক সোধাত তাই কপা কপা মাতেৰে ক'লে—‘তেন্তে শুনা মা, এই ঘটনা ঘটিবৰ প্ৰায় দুঘণ্টা হ'ল। মাকে শুনি আঁচৰিত হ'ল আৰু ক'লে “তথাপি তই মোক কোৱা নাই”। আগতে কথাখিনি শুনা মা, “দুয়োজনে চোতালত বহি থাকোতে কোনোবাই তেওঁক দৃষ্টি কৰি গুলিৰে মুৰত আঘাত কৰিলে আৰু তেওঁ......। আৰু কোনো কথাই তাইৰ মুখৰ পৰা নোলাল, তাইও অচেতন হৈ মাটিত বাগৰি পৰিল, তাইৰ কথা শুনি মাকৰ আৰু বুজিবলৈ বাকী নেথাকিল, “তাৰ মানে জোঁৱাইক কোনোবাই হত্যা কৰিলে”। মাকে লৰি গৈ এচোল পানী মানসীৰ মূৰে-মুখে ঢালি দিলে আৰু তাই লাহে লাহে চেতনা পালে আৰু সমুখতে মৃত স্বামীক দেখি আকৌ কান্দোন আৰম্ভ কৰিলে।

মাকে মানসীক সান্ত্বনা দিবলৈ বহুতো কিবা-কিবি কৈ বুজনি দিলে কিন্তু তাইৰ চকুলো সৰা স্তব্ধ নহ'ল। তাইৰ কান্দোন কমাব নোৱাৰাত মাকে ক'বলৈ ধৰিলে।

“মোৰ আইজনী তোৰ ভাগ্যত যি আছিল হ'ল আৰু যোৱা বস্তুটো ঘূৰি নাহে। আমিও এনেকৈ এদিন সকলোৱে এই পৃথিৱী ত্যাগ কৰিব লাগিব। দুখ নকৰিবিও আইজনী’। এটা হুমুনিয়াৰে মাকে ক'লে, “তোৰ দেউতাৰাকো এদিন এনেকৈ মাৰিছিল। কিন্তু মই জানো আজিলৈও কান্দি আছো? নাকান্দো। ভাগ্যত যি আছিল হ'ল আৰু এনেকৈ বহুতো কথাইও তাইৰ কান্দোন শেষ হ'ব বুলি মাকে ভাবিছিল কিন্তু কতা? তাইৰ কান্দোন শেষ নহ'ল।

মানসীৰ চকুলো তীব্ৰ গতিত বাগৰিবলৈ ধৰিলে। তাৰ আৰু কেতিয়াও অন্ত নপৰিল, তাইৰতো আৰু একো নাই। গোটেই জীৱনটোত স্মৃতি হিচাপে ৰল মাথো “মানসীৰ দুধাৰী চকুলো”।□□

# চাহ দোকানত চুলাই

মোঃ আমিনুৰ হক
স্নাতক ২য় বৰ্ষ

ধীৰাজহঁতৰ ঘৰৰ সন্মুখত এখন সৰু চাহৰ দোকান। খোৱা বস্তু বুলিলে তাত কেৱল কেঁচা বুট, পাপৰ, বোয়েল কৰা মটৰ আৰু বুট লগতে আছে আছে নিচাজাতীয় খাদ্য চিখৰ, হৰপল, তিৰঙ্গ আৰু চুলাই মদ।

দোকানখনৰ পিছতেই ধীৰাজহঁতৰ ঘৰ, ঘৰতে ধীৰাজৰ মায়ে চুলাই মদ বনায় আৰু দোকানত ধীৰাজৰ দ্বাৰা বিক্ৰী কৰায়। ৰাতিপুৱা ঠিক ন বজাৰ পৰা এঘাৰ বজালৈ আৰু আবেলি তিনি বজাৰ পৰা ৰাতি সাত বজালৈ এক হুলস্থুলীয়া কাৰবাৰ। দোকানলৈ নানান ধৰণৰ গ্ৰাহকৰ ভীৰ যদিও গ্ৰাহক সকলৰ লক্ষ্য এটাই কেৱল মদ সেৱন কৰা, নিচাজাতীয় গুটখা ইত্যাদি খোৱা।

এনেদৰে ধীৰাজহঁতৰ ঘৰখনে ধুনীয়াকৈ উপাৰ্জন কৰি জীৱন-যাপন কৰি আছে। কিন্তু সিহঁতে ভৱাই নাই যে এই দোকানখনে কিমান জনৰ প্ৰাণ লৈছে, কিমানজনৰ আয়ুস কমাই আনিছে। মদ খাই যতে ততে পৰি থকা মানুহবোৰক দেখিলে আচৰিত লাগে। সিহঁত যেন মানুহ নহয় আন কিবাহে। গাঁওৰ মানুহে ধীৰাজহঁতক হেঁচা দিয়ে যদিও দুই এদিন বন্ধ ৰাখি আকৌ আৰম্ভ কৰে। সিহঁতৰ দোকানৰ গুটখা খাই ওচৰৰে ল'ৰা এজনৰ মৃত্যুও হৈছে, মদ খাই দুজনমান চিৰ ৰুগীয়া হৈ বিচনাতো পৰি আছে, তথাপিও গাঁও আৰু প্ৰশাসন ব্যৱস্থাই দোকানখন বন্ধ কৰিব পৰা নাই। কিন্তু কি হ'ল, ধীৰাজৰ এজন ভনী আছিল; তাই দেখাই শুনাই ধুনীয়া হোৱাৰ লগতে তইৰ মগজুটো চোকা আছিল। তাই H.S.L.C. পাছ কৰি গাঁও এখনৰ ল'ৰা এজনৰ লগত পলাই গৈ বিবাহ হ'ল। ধীৰাজৰ ভনী ৰিমাৰ গিৰিয়েক আছিল বৰ ভাল মানুহ। সি আৰ্ট স্কুলৰ শিক্ষক। ৰিমাৰ গিৰিয়েক তনবীৰক মানুহে জোকায় যে তাৰ শাহুৱে মদ বিক্ৰী কৰে, অমুক-তুমুক, ঘৰখন ভাল নহয়, তই কি ছোৱালী বিয়া কৰালি। এইবোৰ কথা শুনি তনবীৰে বৰ লাজ পায় যিতুহে সমাজত তাৰ এক ভাল নাম আছে।

সেয়েহে ৰিমা আৰু তনবীৰ দুয়ো লগ লাগি এদিন ৰিমাহঁতৰ ঘৰত প্ৰতিবাদ কৰিলে যে এনেদৰে অজ্ঞতা আৰু কুসংস্কাৰ আকোৱালি লৈ ন-পুৰণি চামক বিপদত পেলোৱাটো আমাৰ উচিত হোৱা নাই। মায়ে এদিন ৰিমা আৰু তনবীৰ ৰিমাহঁতৰ ঘৰৰ পৰা চুলাই মদৰ ঘাটি উৎখাট কৰি তাতে এখন গেলামাল দোকানৰ ব্যৱস্থা কৰি দি ধীৰাজহঁতক এক নতুন জীৱন দান দিলে আৰু তনবীৰো লোকৰ কটু কথাৰ পৰা হাত সাৰি আনন্দ মনেৰে দাম্পত্য জীৱন আৰম্ভ কৰিলে।□□

কবিতা

# এটা শিলৰ এভাগ

বিপুল কুমাৰ ৰাভা
প্ৰাক্তন ছাত্ৰ

পাহাৰৰ ওপৰত এটা শিলৰ এভাগ
তাৰ ওপৰতে বহিলো
আনভাগ কাটি নিয়াৰ চিন
বাকী ভাগটোও হয়তো নাথাকিব
সি মোক ক'লে, "আপনি মোৰ শেষ আলহী,
হাজাৰ বছৰ আগেয়ে মোৰ বহু সংগী আছিল,
মইহে অকলে থাকিলো
এতিয়া ময়ো বাদ নপৰিলো
আপুনি ঠিক সময়ত আহিছে
ইয়াত যে শিল আছিল
তাকলৈ এটা কবিতা লিখিব।" □□

# শ্ৰদ্ধাৰে জ্যোতিপ্ৰসাদলৈ

কুলেন্দু নাথ
প্ৰাক্তন ছাত্ৰ

ওপৰে জোনাক
আৰু অলেখ তৰাৰে
অস্ফুত পোহৰ;
এটি তৰা সৰে, দুটি তৰা সৰে,
বাট দেখুৱাই আগবাঢ়ে
ৰূপান্তৰৰ আলোক যাত্ৰী
অসমীয়া ভাষা সংস্কৃতিৰ।
আৰু
কিমান পোহৰ?
আছে মাথো জোনাক বিহীন ৰাতি,
জোনাকী পোহৰত
জোনাকী পৰুৱা উৰে
বৰ্তমান ভৱিষ্যতত।
তুমি নাই বাবে,
আকাশত শগুণ উৰে,
আৰু! আৰু কিছুমান নিনাদিত শব্দ
হে মোৰ ৰূপতীৰ্থৰ যাত্ৰী
তোৰে মোৰে আলোকেৰে
সন্ধিয়াৰ সোণোৱালী লুইতৰ পাৰত
অসমীয়া ভাষা সংস্কৃতি।
মহাকালৰ বুকুত কামৰূপী সুৱদী সুৰীয়া
সাক্ষী হৈ ৰ'ব বৰলুইতৰ বালি।
তুমি অতীতৰ আলোক যাত্ৰী......।
আকাশত নাই তৰাৰ দীপাৱলী......।□□

# ৰূপহী গাভৰু জোনাকী

মিচ্ সাধনা চৌধুৰী
স্নাতক প্ৰথম বৰ্ষ

বিশাল আকাশত
কোন তুমি গাভৰু?
পৃথিৱীলৈ চাই আছা
কাৰ ফালে বাৰু?
অলেক তৰাৰ মাজত
তুমি থকা জিলিকি
তোমাৰ চকুত ৰশ্মিৰে
পোহৰোৱা বিশাল পৃথিৱী।
মাজে মাজে তুমি বাৰু
কলৈনো যোৱা.......?
এই বিশাল পৃথিৱী
এন্ধাৰ কৰি তোলা।
পৃথিৱী পোহৰাবলৈ তুমি
আকৌ ঘূৰি আহা,
এই বাৰ কিন্তু তুমি
কৈশৰী ৰূপত ধৰা।
যৌৱনা ৰূপত তোমাক
বৰ ভাল লাগে,
তুমি আকৌ গুচি গ'লে
মন মোৰ ভাগে.
তোমাৰ পোহৰে মোক
দিয়ে যে কিমান আনন্দ
নোৱাৰো সহিব তোমাক
কলা ডাৱৰে ঢকা কাণ্ড।
এই দৃশ্য দেখিলে মোৰ
খুউব ভাল লাগে,
দৈত্য দানৱে তোমাক
আক্ৰমণ কৰা যেন লাগে।
ডাৱৰৰ কাষ চাপিলে
মোৰ চকুলো বাগৰে
আকৌ তুমি ওলালে
মনত ভয় আঁতৰে। ▢▢

# প্ৰীতিৰ প্ৰতিক্ষাত

শ্ৰীলোহিত সূত্ৰধৰ
স্নাতক ২য় বৰ্ষ

প্ৰীতি মই তোমাৰ প্ৰতিক্ষাত
নেজানো কিয় কাষত পাইয়ো
হিয়াৰ আঁতৰত তুমি
তথাপি কিজানি মোলৈ অকণমান
অপেক্ষা কৰা নিস্তব্ধ মনেৰে
অস্পষ্ট হৈ, অপ্ৰকাশিত ভাৱেৰে......
তুমি কোৱা কথাবোৰ, দুচকুত দেখা
হাঁহিবোৰ আৰু তুমি দিয়া বেদনাখিনি
উৎফুল্লিত হৈ উনুকিয়াই থাকো
এটি ক্ষণ গণি-গণি
কিন্তু, আনন্দহীন প্ৰাণেৰে
নিৰসভাৱেৰে, উদাসমনেৰে।
আৰু হিয়াত বিষাদৰ দৃষ্টিয়ে
সুমনৰ মজিয়াখনক তিতাই পেলাইছে
তথাপি পাহৰি যোৱা নাই
প্ৰীতি তোমাক অনুভৱৰ মাজত জানিবলৈ
দুৰ্বাৰ হেঁপাহ উপজিছে, ভীষণ মনত পৰিছে
কাষত পাবলৈ এবাৰ দুনয়নেৰে
প্ৰাণভৰি তোমাৰ প্ৰতিচ্ছৱিক
হিয়াত আকি ল'বলৈ।
মাথো এবাৰ......। ▢▢

# এটি প্ৰাৰ্থনা

মোঃ তৌফিক আহমেদ
উঃ মাঃ প্ৰথম বৰ্ষ

দেখিবলৈ বৰ ধুনীয়া
গাতো তোমাৰ কোমল
চুবলৈয়ো ভয় লাগে
যাতে নহয় কিবা বিপদ।

ৰাতিপুৱা তোমাৰ গোন্ধতে
আৰম্ভ হয় মোৰ দিন
তোমাৰ গোন্ধতে
শেষ হয় মোৰ আবেলি।

তোমাৰ পৰাই আৰম্ভ কৰো ৰাতিপুৱা
ভগৱানৰ লগত কথা বাৰ্তা
তোমাৰ পৰাই শেষ কৰো সন্ধিয়া
ভগৱানৰ লগত দিনটো শেষ নিশা।

তোমাৰ স্থান সকলোতে
তুমিয়ে মা স্বৰস্বতীৰ চুলিত
মা-দুৰ্গাৰ আৰু বিষ্ণুৰ হাতত
স্থান দুখন বালিছা
তুমি স্বৰ্গৰ পৰী
তোমাতকৈ ধুনীয়া আৰু কোনো নাই
তোমাৰ সৌন্দৰ্য্য কাৰো লগতে সমতুল্য নহয়।
তুমিয়ে বিশ্ব জগতৰ ৰাণী।□□

# তোমাক দেখাৰে পৰা

শ্ৰীদীনবন্ধু বৈশ্য
স্নাতক ২য় বৰ্ষ

সেয়া আছিল
তোমাক দেখাৰ প্ৰথম দিন
আৰু এটা দুপৰীয়া,
কাজল সনা দুচকু,
সেই চকুৰে আছিল মায়াসনা আৱেগ।

গুলাপী দু-ওঁঠ,
যি ওঁঠত কম্পিত অপ্ৰকাশিত ভালপোৱা
আৰু এখন মুখ,
য'ত প্ৰতিভাত সৌন্দৰ্যৰ তেজৰঙা গোলাপ
কোনোৱাক হিয়া দিয়াৰ অভিব্যক্তি।

এনেকৈয়ে আৰব্ধ প্ৰথম দিনৰ মায়াজালত
কাৰোৱাক হেৰুৱাই কোনোৱাক পোৱাৰ আকাংক্ষাত
জ্বলি.......জ্বলি.........জ্বলি উঠিছিল
নুমোৱা শলিতা গছি
ক্ৰমশঃ গধুৰ হৈছিল বুকুখন অযুত আশাৰ অলেখ ভাৱনাত।

সেই তেতিয়াই
যৌৱনৰ সেউজীয়া দলিছাত
পুৱাৰ কোমল ৰ'দজাকে সাৱটিছিল।

হৃদয়খন সাগৰ হৈছিল
য'ত ঢৌবোৰ হৈ পৰিছিল প্ৰেমৰ স্পন্দন,
মৰমবোৰ হৈছিল গভীৰতা,
বুকু চেচাঁ হৈছিল অনুভৱৰ সমীৰণত
সেয়ে তোমাৰ কাষত গ'লো বুকুৰ উম বিচাৰি
কিছু তপত অনুভৱৰ আশাৰে
মৰমবোৰ গুজি দিলো তোমাতে......।

তোমাৰ চিধা উত্তৰ, না, ই কেতিয়াও হ'ব নোৱাৰে
অসম্ভৱ........
মই আপোনাক ভাল পাব নোৱাৰিম
হ'ব, ৰৈ থাকিম আজীৱন
তোমাৰ বাবে
অলপ আশা কৰিব নোৱাৰো?
নাই নোৱাৰো........
অসম্ভৱ...........
সেই অসম্ভৱৰ মাজতেই বিচাৰি পাইছিলো
সম্ভামনাময় এক দীঘল বাট
হেঁপাহৰ হুমুনিয়াহ ঘন হৈছিল।

হিয়াৰ পদূলিত পদাৰ্পণ কৰিবা এদিন
তুমি নিশ্চয় আহিবা!
চকুত তোমাৰ ভালপোৱা দেখিছো
মৌন ওঁঠৰ ভাষাবোৰ পঢ়িছো
সঁচা 'হিয়া' মই তোমাকে ভালপাওঁ
মই তোমাক ভালপাওঁ
কেৱল..........তোমাক
তোমাক।

এনেকৈয়ে বহু অসম্ভৱৰ পাৰ ভাঙি
সাৱটি ধৰিলা বুকুত জোৰকৈ,
ওঁঠত তোমাৰ দুঃওঁঠ ৰাখি কলা, "মই আপোনাক ভালপাওঁ।"
তোমাৰ চকুত চকু থৈ
হাতত হাত ধৰি
দুয়ো এক হ'লো।

এতিয়া ক্ৰমশঃ তুমি আঁতৰি গৈ আছা
তথাপি মই একো কব পৰা নাই.........□□

# ভালপোৱাৰ স্বীকৃতি

মিচ্ যুথিকা দাস
স্নাতক ১ম বৰ্ষ

পোৱা-নোপোৱাৰ
আনন্দ বেদনা মোহাৰি
দেখিছো সঘনে জাকি মাৰি উৰি ফুৰা
তোমাৰ আৰু মোৰ সেই
শৈশৱৰ সোঁৱৰণি
কৈশোৰৰ গুণগুণনি
যিদিনা তোমাৰ হৃদয়ফালি
মোলৈ দিছিলা
ভালপোৱাৰ স্বীকৃতি
সেইদিনা তোমাৰ সেই
অন্তহীন প্ৰেমৰ ওচৰত
মই মাথো নিশ্চুপ হৈ গৈছিলো
কাৰণ, সেই সময়ত
মই যে জনাই নাছিলো প্ৰেম মানে কি?
প্ৰেম বোলেনো কাক?
কিন্তু, যেতিয়া ইয়াৰ
সংজ্ঞা মই বিচাৰি পাইছিলো
সেইদিনা, মাথোন তোমাৰ সেই স্বীকৃতি
মোৰ হৃদয়ত
সাঁচ হৈ ৰৈছিল
মাথোন—
তোমাৰ অন্তহীন ভালপোৱাৰ
অন্তৰংগ স্তৱক এটি হৈ।□□

# ফুল

মিচ্ খুৰ্ছিদা চুলতানা
স্নাতক ৩য় বৰ্ষ

ফুলনিতে ফুল জাকে জাকে,
সুভাষ মেলিলে জীৱনৰ ফাকে-ফাকে।
প্ৰেমৰ প্ৰতীক স্বৰূপ তুমি,
হৃদয়ৰ মৰমৰে দিয়া উপহাৰ।
অবুজ হৃদয়ৰ বেদনাৰে বুজাব নোৱাৰো
জাচিলো তোমালৈ এটি পাঁহি।
ভক্তি ভৰা অন্তৰেৰে প্ৰেৰণা
তোমাৰ চৰণত।
ৰং-বিৰঙৰ সপোন পূৰণৰ অপেক্ষা
ফুলৰ ৰং স্বৰূপ
জীৱনটো হয় পৰিপূৰ্ণ।
ব্যাকুল ভোমোৰাৰ গুণ-গুণ ধ্বনিয়ে,
গাভৰুৰ মন কৰিছে চঞ্চলা।
শ্বহীদলৈ অৰ্পণ অলেখ অলেখ
গৌৰৱৰে পূৰ্ণ ‘প্ৰণাম’।
সকলোলৈ শুভেচ্ছা জ্ঞাপন কৰিলো
নতুন বছৰৰ ওলগ জনাই
দিন কৰি যায় ৰঙীন ফুলেৰে।□□

# তুমি অহাৰে পৰা

ভবেশ দৈমাৰী
স্নাতক ২য় বৰ্ষ

চকুলোৰ সৈতে মই সহবস্থান কৰি থাকোতেই
তুমি সপোন হৈ ফুলিলা
মোৰ হৃদয়ৰ শুকান মৰুৰ মাজত
অতীতৰ দুঃস্বপ্নৰ তামসীৰ মাজত
তুমি আঁকি দিছিলা
ভৱিষ্যতৰ সেউজবলীয়া মসৃন পথ।
সপোনৰ মৰিশালিত তুমি জ্বলোৱা
চাকি গছিৰ সহায়ত
দুৰ দিগন্তলৈ জিলিকি উঠে
ভৱিষ্যতৰ কেঁচা সপোনবোৰ সেউজীয়া হৈ।
চকুলো মচি মই ৰচো
ভৱিষ্যতৰ সোণালী গীত
সুৰ হৈ বাজি ৰবা তুমি
জীৱনৰ প্ৰতিটো শুবত.....সেউজীয়া....সেউজীয়া হৈ।□□

# তুমি যোৱাৰ পৰত.......

শ্ৰীধীৰামণি খাখলাৰী
স্নাতক প্ৰথম বৰ্ষ

শৰৎ, তুমি নহা হলেই ভাল আছিল,
নপৰিলোহেঁতেন শেৱালিৰ প্ৰেমত
নকৰিলোহেঁতেন হিয়া উপচাই মৰম,
যাক মই কেতিয়াও
পাহৰিব নোৱাৰিম
নোৱাৰিম পাহৰিব
তোমাৰ প্ৰতিশ্ৰুতিবোৰক
মই যে সেইবোৰকে লৈ
মোৰ বুকুৰ নিৰ্জনতাত
আলফুলকৈ গুঠিছিলো
আশাৰ মালাধাৰি
তোমাৰ চলাহিভাষাৰ চিঠিবোৰে
প্ৰতিপলে বিষাদ হৈ উনুকিয়াই
মোৰ আকাশলঙঘী সপোনবোৰত
চানি ধৰে লোতকৰ বোলেৰে
তথাপিও,
তুমি যাব ওলাইছা যোৱাগৈ
উভটি আৰু কেতিয়াও নাচাবা
ন'হলে তুমিও উচুপিবা
মই যে তোমাৰ উচুপনি সহিব নোৱাৰিম।□□

# বেদনাৰ উজাগৰী ৰাতি

মিছ্ মিনাক্ষী খাটনীয়াৰ
স্নাতক ১ম বৰ্ষ ( কলাশাখা)

বেদনাৰ এজাক
কলা ছাঁয়াই
আৱৰি ধৰিছিল
সিদিনা মোক।
অসহায় হৈ
মাতিছিলো মই তোমাক।
তুমি তেতিয়া আছিলা
তৰা ভৰা আকাশত জোনাক হই
মুখত মিচিকিয়া হাঁহি লই।
আৰু মই আছিলো
চাটি ফুটি কৰি
বেদনাৰ সেই
উজাগৰী ৰাতি..........□□

# তুমি মহাবিদ্যালয়

শ্ৰীধৰ্মেন্দ্ৰ দাস
স্নাতক ১ম বৰ্ষ

স্বাগতম,
হে মহান বিকালী মহাবিদ্যালয়
তুমি সত্য সনাতন
তীৰ্থতো পৱিত্ৰ তুমি
শিক্ষা-সাংস্কৃতিৰে।
দিলা আমাক জ্ঞান,
দিলা আমাক সাহস
আৰু শক্তি।
সমাজ জনমভূমি দেশ ৰক্ষা কৰিবলৈ।
জ্ঞানৰূপে তিয়াইছো তোমাৰ
পদ চৰণৰ ধূলি আৰু
যাচিছোঁ শতেক প্ৰণাম।
দিলা আমাক প্ৰভাতৰ কিৰণ একাঁজলি।
বোৱাই দিলা শিক্ষা-সংস্কৃতিৰ
প্লাৱন।
তোমাৰ কৃপাতেই
উদ্বেলিত হওঁক আমাৰ
জাতীয় জীৱন।□□

# তেজেৰে ইতিহাস লিখিব খোজা ছোৱালীজনী

ৰাজা আহমেদ
স্নাতক ২য় বৰ্ষ

ভালপাও বুলিনো কিদৰে কও
জানোচা প্ৰতাৰণাৰ ডাৱৰত
বিগলিত হৈ
পৰি ৰব লগা হয়
অস্বস্থিৰ আলিদোমোজাত।
বুকুত মোৰ মেঘৰ ওন্দোলনি
হাবাথুৰি খাইছো ৰ'দ বিচাৰি
তোমাকনো কৰ পৰা দিব পাৰো
একাজলি ৰ'দ।
হেঁপাহবোৰ যে নিৰ্জনতাৰ সঙ্গী
থাওক দিয়া নজগাও সিহঁতক
মোৰ হাতৰ পৰশ পালে
বিবৰ্ণ হ'ব সিহঁত।
হৃদয় এখনি আছে মোৰ
অনুভূতিবোৰহে গোট মাৰিছে।
মই আজিও অক্ষম
তোমাৰ বুকুত কেঁচা তেজৰ
নোমাল ইতিহাস বুজিবলে
অনুভূতি নাথাকিলে
পাৰি জানো বুকুৰ......।
চকুত মোৰ অন্ধতা
মই নাৰকী
যদি পাৰা মোৰ সত্তাতেই।
সৰগ পাবা মোৰ সত্তাতেই।□□

# শিল্পী

(ডঃ ভবেন্দ্রনাথ শইকীয়াদেৱৰ সোঁৱৰণত)

মিচ্ মীৰামণি কলিতা
প্ৰাক্তন ছাত্ৰী

সময়ত তুমি আঁতৰি গ'লা,
অস্থিৰ সমাজৰ মেটমৰা বোজা কঢ়িয়াই
তুমি চাগে ভাগৰি পৰিছিলা
শৈশৱ, কিশোৰ ৰঙালীতে
মেলি দৰিদ্ৰ ধেমালি,
বাৰীৰ লাউ, কচু, ঢেঁকীয়া শাকেৰে
আধাপেটী ভাত,
ৰিমঝিম বৰষুণত আয়ে ধৰা ছাতিৰ তলত
সমাজৰ গ্লানি ধ্বংসি
আগবাঢ়িছিলা কৰ্তব্যৰ উচ্চ শিখৰত।
তোমাৰ মস্তিষ্ক কম্পিউটাৰতকৈও বেগী
আৱেগৰ সোতে ধোৱা তোমাৰ হৃদয়
শিল্পী তুমি জনতাৰ প্ৰেমিক
বোলছবি, গল্প, উপন্যাস
তাৰেই নিদৰ্শন।
স্বচ্ছল হৃদয়ৰ তুমি জনতাৰ পূজাৰী
ৰূপান্তৰে যদি জগত শুৱনি কৰে
তুমিও হোৱা সেই ৰূপান্তৰৰ পূজাৰী।
মাথো তোমাৰ পূজাৰ বেদীত
নিৰ্জীৱ ষোড়শ পথাৰ
লগে সঞ্জীৱ সতেজ ৰক্তবাহী
সঁচা জীৱনৰ অংগটি অংগৰূপ
সৃষ্টি তোমাৰ কালজয়ী, মৃত্যুঞ্জয়ী
শতাব্দী, জংঘল, সন্ধ্যাৰাগ
আৰোহন, গহ্বৰ, মৰমৰ দেউতা
তোমাৰেই চানেকি,
কৰ্মযোগী তুমি কৰ্তব্যৰ পূজাৰী
অসমৰ বুকুত নক্ষত্ৰ জ্যোতি
সুৱৰ্ণ সদৃশ ব্যক্তিত্বৰ
গৰাকী হৈ জিলিকিবা
সদায় বিশ্বৰ ইতিহাসত।□□

# আশা

শ্ৰীঅৰূপ কুমাৰ দাস
স্নাতক ২য় বৰ্ষ

পৰ্ব্বতৰ দৰে স্থিৰ
হিমৰ দৰে শীতল,
গঢ়া মনৰ সাকোঁ।
পাবা পথে পথে নতুনত্ব,
আকৌ উপদেশ সখী,
ভাগৰি যোৱা বুলি
নাযাবা বৈ।
এন্ধাৰ হ'লেওঁ
আহিব
সূৰ্য্য উঠি
যিদৰে ভাল দিনবোৰ
নাথাকে সদায়।
সেইদৰে
বেয়া দিনবোৰো
নাথাকে বৈ
লাগে মাথো
সহ্য আৰু ধৈৰ্য্য।□□

# ক্লেশ

শ্ৰীহিতেশ চন্দ্ৰ বড়ো
উঃ মাঃ প্ৰঃ বাঃ

অন্তৰত আছে গভীৰ ক্লেশ।
দুখ যে কিমান আছে!
ক'ব নোৱাৰাকৈ
মাথো বৈ আহে,
ভাহি আহে নদীৰ কোবাল সোঁতৰ দৰে।
দুখ যে সাগৰৰ ঢৌ স্বৰূপ
এটা ঢৌৰ অৱসৰত
আনটো ঢৌৱে অৱস্থান কৰেহি।
দুখ যে সীমাহীন, অন্তহীন!
জীৱনৰ প্ৰতি পল-অনুপলে
মাথো বৈ আহে
খৰস্ৰোতা নদীৰ দৰে
নিৰৱচ্ছিন্ন ভাৱে।
দুখ যে জীৱনৰ
যমৰ যাতনা
দুখ মাথো
নিছলা জীৱটোক
জুইৰ দৰে পুৰে
মাথো কলিজা দেৱাই নিয়ে
ছাই নকৰে
অনন্ত চটফটনি, অনন্ত ধৰফৰণি
দুখ সৃষ্টি অথবা ধ্বংসৰ লীলা।

# মৰীচিকা

কাকলি বসুমতাৰী
উঃমাঃ প্ৰথম বৰ্ষ

মৰীচিকাৰ পাছত দৌৰি জানো কিবা
লাভ আছে, নাই।
মই কিন্তু বাৰে বাৰে সেই মৰীচিকাৰ
পিছতেই দৌৰি আছো।
নিৰ্জন মৰুময় প্ৰান্তৰ মই অকলশৰীয়া যাত্ৰী
মোৰ নাই কোনো সংগী;
মৰুময়ভূমিত নিৰ্জন, নিঃসাৰ, নিশব্দ
মাথো বালিৰ খচখচ শব্দ,
আৰু তীব্ৰ বতাহৰ সোঁসোতনি,
মই চিয়ঁৰিলো, "কোনোবা আছানে"?
বহু দূৰলৈ মোৰ মাত
ধ্বনি, প্ৰতিধ্বনি হৈ উঠিল।
মই চমকি উঠিলো, কোনো নাই।
তাৰমানে মই সম্পূৰ্ণ অকলশৰীয়া।
মই কান্দিলো, কিন্তু কি পালো?
দুখ, বেদনা, বিষাদ, হতাশ,
আকৌ মৰীচিকাৰ পাচ ললোঁ।
মৰীচিকাৰ ছায়াত মই বিলীন হৈ গ'লো।
কিন্তু মই মৰীচিকা বিচাৰি নাপালোঁ।

# তোমাৰ বাবেই

মিচ্ ডলী বড়ো
স্নাতক প্ৰথম বৰ্ষ

তোমাৰ বাবেই পুনৰ নিৰ্মাণ কৰি
সজাই তুলিছিলো মোৰ উৰলি যোৱা
পঁজা।
ভৰাই তুলিদিলো চৌহদ মোৰ
গোলাপ, ৰজনী গন্ধাৰে,
ৰঙেৰে বুলাই মোৰ কোঠালী
জিলিকা কৰিছিলা
তাক।
নিদিলো কাকো পাৰি থোৱা
দলিচাত,
নাথাকি একোতে ব্যস্ত ৰাখিদিলো
স্তুৱাৰত,
নাহিলা তুমি,
কৰহি গৈ সৰি নোহোৱা হ'ল
তাৰ অস্থি।।

# সময়

শ্ৰীদেবেশ ৰাভা
উঃমাঃ প্ৰথম বৰ্ষ

স্বাধীনত পতাকা মুংছানা
সময় ছাংজো,
দৰায় গাবুৰ তংচাজো।
তেবে কায়নি বাদাং
সময় যায় ৰেংজো।
জীবনান চায় ছাৰিংজো
গাছাবা শ্ৰতা মানছাজো
সন্মুখনি চিয়াৰবে মাথো শ্ৰতা
শল্পী আং দুৰভগীয়া।
পিদান যুগনি
পিদান দৰায় গাবুৰ,
পাউা গ্ৰিমিতা
বিছিনা মায় ৰেংজো।।

# ফুল

মিচ্ ৰুণুমি চৌধুৰী
স্নাতক প্ৰথম বৰ্ষ

ককাল ভাঙি ভাঙি......
নাচা হালি জালি.....
আহিলে তোমাৰ লগৰী,
নাহে যদি তোমাৰ লগৰী
মন থাকে তোমাৰ
দুখেৰে ভৰি।
সেই মলয়া বা
মোৰো যে লগৰী
ময়ো ভাল পাঁও তেওঁক
প্ৰাণ ভৰি ভৰি।
তেওঁ নহালৈকে মোৰ
মন ব্যাকুল,
তেওঁ আহিলে লাগে মন
উগুল থুগুল।
তুমি যে ভাল পোৱা
তোমাৰ প্ৰেমীক মলয়ক
ময়ো ভাল পাঁও
ভাষাৰে বুজাব নোৱাৰো যাক।
মলয়া আহিলে যেনেকৈ
হালি জালি নাচা
মলয়া নাহিলে দেখোন
অভিমানেৰে থাকা।
তোমাৰ দৰে নাচিবলৈ যে
মোৰো মন যায়,
তোমাৰ কাষলৈ গ'লো
তুমি মোলৈ নোচোৱাই।।

# ৰাভাটাঙি ছমাজনি জীৱন
# (ৰাভা সকলৰ সামাজিক জীৱন)

ৰাভা ক্রোৰাংচি ছমাজ
বিকালী ত্রাংদামজিমাৰি, ধূপধৰা

বুছুমুতায়নি দ্যিমদাক জাতিনিয়ান জনম, জোৰছিনি, আৰো ছিকায়নি তখ্র কিছুমান সামাজিক নিয়ম তোৱা। একায় নিয়ম বিজান ৰেংছমায়নি পাৰাণ তে ছমায় চেকেনা একেনান চলায় তয়তা। অৱশ্যে তেছমায়নি যুগিনি ফিকায় (প্রভাৱ) আৰো বিজ্ঞানী আগুয়কায়নি বাদাং কিছুমান নিয়ম বাৰিনাতা বা পিদান খাৰে তেলেমাতা অন্দং বা তুপ্রুনে পিদান খাৰে ঠাৰি পিদান নিয়মবায় তাক্কায় চাঙাতা।

ৰাভাটাঙি সামজনি নিয়ম নিমিন ৰাক্কা। ৰাভাটাঙি সমাজনি খা'কায় নিয়ম, নাঙো-আঙো সহায় খাৰকায় চিনা নিমিন চিথোৱা। দ্যিমদাক ছং নক্নি ৰাইজীয়ান ছাকায়নি মাজাৰিয়ান ছাকছা বুয়ুজনাংকায় বা ফামানকায় কায়ো ছঙিনি গাঁওবুঢ়া বাচায় মানে টাকে ৰাআ। ওগান্দা কায়টাঙো হাদাম বুজি হাদামবে গাঁওবুঢ়া, পাটগিৰি বা ঠাকুৰীয়া উনেবা কানিকায় চাঙা। উনি কাথা উপদেশ বা তুনুকে ৰাখুকায় ছমাজনি কামিবিজান চলিয়া। দিগিলাজিও উনা সহায় খাৰনা আৰো সহযোগ খাৰনা কিছুমান কামিনিকায় বাছায়কায় চাঙা। ছমাজনি আৰো ছাক্ছা চুংকায় ছেওমাননিকায় চাংজো পাৰেয়া (বাৰিকা) ও সভানি, মেলনিকায় প্রাওকায় একায় পাৰেয়ান ৰাইজিনা প্রাওৱা। ছঙি আতোবা কামিটি/কাৰণবায় হাই-কাজিয়া চাংদং দ্যিমদাক বিচাৰ বিজান ৰাইজিয়ান সমাধা বা বিচাৰ খাৰা। এগান্দা ব্যৱস্থানি কামিবিজান ৰাভা ছমাজি ত্যিকাং কালনি পাৰাণ এখেৰেয়ান চলায় তয়তা। ৰাইজিনি খাকায় নিয়াম এখেৰে ৰাক্কা যে এগান্দা চুংকায় দছনি কামিনি বাদাং দুছি কায়তাঙো ছঙিনি পাৰাণ গিজাৰে (ৰকে) ৰাখাতা।

জোৰছিনি (বিবাহ) পূজা, ছিকায়নি কামি, ফাৰকান্তিতি ৰাভা ছমাজনি সহায় সহযোগ ইবিজান নিয়ম জাতকৰেয়ান মানিনা লাগিকায়। এগান্দাবায় সমাজান ছংকায় জোবাতি ল্যিগা চাঙে আলাপ খাৰে চাকায়ান কামিনি ভাৰৰনে ৰাআ আৰো ছাকায়ান কাকায়-কাকায়নি ভাৰনি কামিবিজান নেমেখাৰে সমাধা খাৰা। জোৰছিনি, ফাৰকান্তিনি কামিবিজান চলায়কায়নি বাদাং নুকিনিকায় বিজান চিন্তা খাৰনা লাগিচা ও বিজান। যানাবা ওৰঙি কাকয়নি নুকিনি কামিয়ান দংচা ও বিজান ৰাইজিনিয়ান বা দ্যিমদাকনিন কামিছে।

ৰাভাটাং দ্যিমদাকান খেতি খাৰকায়। মায় খেতি খাৰকায়ান ৰাভাটাঙি আচল খেতি। ৰাভা দৰায়টাং (মেছাটাং) বিজান নুকিনি টাকা পায়চানি বাদাং খেতিনি সহায় খাৰকায়নি বাদাং বা নুকি বাক্, প্রুণ, টো, হাংচিং পুছি বাজাৰী ফাৰে নুকিনি ফায়না টাকা পায়ছানিটপ্রো সহায় খাৰা। ৰেংছমায়তি ৰাভা দৰায় বিজান লাটাচং, মুগাচং পাংৰাঙে পুছিয়াম্যুণ। অৱশ্যে তেবা লাটাং পুচিকায় বেৰগা বেৰগা হাদামি তেবা তোৱা।

ৰাভা মেচ বিজান ৰেংছমায়নি পাৰাণ সমাজনি দ্যিমদাক কামিতিয়ান সহায় সহযোগ খাৰে ৰিবিনাতা। জোৰছিনি ফাৰকান্তিনি ছমাজনি কামি, ছমাজনি নিয়ম, ব্যৱহাৰ, ধৰম দ্যিমদাকতিয়ান ওৰং সহযোগ খাৰা।